চিন্তা-জ্যোতি



শ্রীভোলানাথ দত্ত

চিন্তা-জ্যোতি

HEM BARUA LIBRARY
No. ...
Date. ....
TOWN HALL, TEZPUR

শ্ৰীভোলানাথ দত্ত
সহকাৰী শিক্ষক, নাজিৰা গৱৰ্ণমেণ্ট এইডেড হাইস্কুল।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

অসমীয়া ভাষা-সাহিত্যত যুগান্তৰ সৃষ্টি কৰোতা,
অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সম্পাদক
শ্ৰীযুত ডিম্বেশ্বৰ নেওগ এম-এ, বি-এছ-ছি
বি-টি ডাঙৰীয়াৰ আগকথাৰে—

GOVERNMENT OF ASSAM
Call No ....
DISTRICT LIBRARY.

প্ৰকাশক— শান্তি সাহিত্য মন্দিৰ,
নমাটি ৰোড, নাজিৰা, অসম।

প্ৰকাশিকা—শ্ৰীজীৱকান্তি দত্ত
"শান্তি সাহিত্য মন্দিৰ"ৰ হৈ।

বেচ ১৲ এটকা।

প্ৰথম তাঙৰণ, ২৩ জেঠ, ১৮৭৩ শক।

সৰ্ব্বস্বত্ব সংৰক্ষিত

HEM BARUA LIBRARY
No.....................
Date...................
TOWN HALL, TEZPUR

উছৰ্গা

একালত কলিকতাত "ট্ৰেন্সলেটৰ" কৰি বহুবছৰ বাস কৰোঁতা, তাহানি কালতে অসমীয়া সাহিত্য ক্ষেত্ৰত "ভ্ৰমৰঙ্গ" দান দি যাওঁতা স্বৰ্গীয় ৰমাকান্ত

ৰৰকাকতি ডাঙৰীয়াৰ আপোন ভাগিনীয়েক আৰু মোৰ পৰম আৰাধ্যতমা মাতৃ দেৱী শ্ৰীযুতা টংকেশ্বৰী দত্তৰ কৰ-কমলত ভক্তিৰ চিন স্বৰূপে "চিন্তা-জ্যোতি" উছৰ্গা কৰিলোঁ।

পোনা

"Merit exists without high position, but no one can reach high position without some merit."

—La Rochefoucauld.

"The worst bankrupt in the world is the man who has lost his enthusiasm."

—A. W. Arnold.

"From love the world is born, by love it is sustained, towards love it moves, and into love it enters."

—Tagore.

অসমীয়া ভাষা-সাহিত্যত যুগান্তৰ সৃষ্টি কৰোতা, অসম সাহিত্য সভাৰ ভূতপূৰ্ব্ব সম্পাদক শ্ৰীযুত ডিম্বেশ্বৰ নেওগ এম-এ, বি-এছ-ছি, বি-টি ডাঙৰীয়াৰ

আগকথা

"চিন্তা-জ্যোতি" প্ৰকাশৰ আগ মুহূৰ্ত্তত লেখক শ্ৰীভোলানাথ দত্তই পুথিখনিৰ এখনি ভূমিকা লিখি দিবলৈ মোক অনুৰোধ কৰে। শ্ৰীদত্ত "আৱাহন", "বামধেনু" আদি অসমীয়া আলোচনীৰ লেখক ৰূপে আগৰেপৰা জনাজাত হলেও, গ্ৰন্থকাৰ ৰূপে সাহিত্য-ক্ষেত্ৰত এয়ে এওঁৰ প্ৰথম প্ৰবেশ—এই বাবেই এই অনুৰোধ বুলি বুজিছো। কিন্তু পুথিখনি ওপৰে ওপৰে চকু ফুৰাই চাই মোৰ ধাৰণা হ'ল, মোৰ বা আনৰ পৰা চিনাকি এখন লিখাই নিনিয়া হলেও তেওঁ এই পুথিৰে নিজেই নিজৰ চিনাকি দিব পাৰিলেহেঁতেন। পুথিখনিৰ পাতকেইটি আৰু বিষয়-বস্তুত চকু ফুৰাই পোনতে যিটো কথাই মোৰ মন আকৰ্ষণ কৰিছে, সেয়ে হৈছে লেখকৰ বিস্তৃত অধ্যয়ন আৰু একান্ত চিন্তাশীলতা। বৰ্ত্তমান অসমীয়া সাহিত্য বিষ অসমীয়া জাতিৰেই দুটা স্বভাৱ লক্ষণীয় হৈ পৰিছে—চিন্তাতঙ্ক (thought-phoebia) আৰু মানসিক ৰক্তাল্পতা (intell ctual anaemia)। যদি মোৰ এই অনুভৱ অসত্য নহয়, তেন্তে এনে পুথিৰ প্ৰকাশ আৰু প্ৰচাৰ নিশ্চয় আমাৰ মঙ্গলৰ কাৰণ হব, অৱশ্যে অসমীয়া সাহিত্য আৰু অসমীয়া জাতি জীয়াই থাকিবৰ কথা হলে।

"চিত্ত-জ্যোতি" নামটি দিয়াৰ পাছত লেখকৰ মনত তাৰ উপযোগিতা সম্পৰ্কে সন্দেহ জন্মিব পাৰে; কিন্তু স্বৰ্গীয় জ্যোতি (inspiration) নহৈ টিঙিৰিৰ নিচিনা বিকিৰণ হলেও তাৰ মূল্য অৱশ্যে আছে আৰু তেতিয়াও "জ্যোতি" নাম সাৰ্থক হয়। "চিন্তা"ৰ বিষয়ে নিশ্চয় কাৰো সন্দেহ থাকিব নোৱাৰে। লেখকে অন্ততঃ সামাজিক সমস্যা আৰু তাৰ সমাধান বিষয়ে যে বিপুল অধ্যয়ন কৰিছে, তাত শঙ্কা নাই। অসমক বেৰি থকা সমস্যাবোৰৰ সমাধান পাবলৈ হলে ভাৰতৰ কিয় জগতৰ নানান সমস্যা আৰু সেইবোৰৰ সমাধানৰ বুৰঞ্জী আমি গভীৰভাৱে অধ্যয়ন কৰিব লাগিব, যিহেতুকে কোনো যুগতে কোনো দেশত এনে ঘটনা ঘটা নাই— ঘটিব নোৱাৰেও, যিটোৰ লগত জগতৰ বৃহত্তৰ সম্পৰ্ক নাই। অসমৰ প্ৰকৃত হিতকামী ডেকা-গাভৰুসকলে এই কথালৈ চকু দিলে পৰম উপকাৰ হয়।

লেখকৰ মতামত বা সিদ্ধান্ত সত্য বা ভ্ৰান্ত সেই কথাত মই ভিৰ দিব নোখোজো, যিহেতুকে চিন্তাশীলতাটোৱেইহে ঘাই কথা; ভুল হওক বা শুদ্ধ হওক, পূৰ্ব্ববৰ্ত্তীসকলৰ চিন্তাই পৰৱৰ্ত্তীসকলৰ চিন্তাৰ খাদ্যৰ যোগান আৰু প্ৰকৃত সত্য উদ্ঘাটন আৰু নিৰ্দ্ধাৰণত সহায় কৰে। মই সেয়ে শ্ৰীদত্তৰ এই পুথিৰ মই আদৰ কামনা কৰো, কিয়নো ইয়াক মই অসমীয়া জাতিৰ চিন্তাগাৰ যন্ত্ৰ বুলিহে ধৰিম। গ্ৰন্থকাৰক পুনৰ মই অভিনন্দন জনাইছোঁ আৰু তেওঁৰ যোগেদি চিন্তাশীল অসমীয়া ডেকা-গাভৰুৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিছোঁ।

শুক্ৰনী পঁজা, যোৰহাট
১৯ জেঠ, ১৮৭৩ শক

শ্ৰীডিম্বেশ্বৰ নেওগ

আমাৰ কথা

ছাত্ৰ কালৰপৰাই আলোচনী বা বাতৰি কাকতত প্ৰবন্ধ-পাতি প্ৰকাশ কৰাৰ প্ৰবল হেপাহ হৈ আহিছে ; এই ফালৰপৰা তাহানিৰ "সাদিনীয়া অসমীয়া" আৰু "তৰুণ অসম" কাকততে লিখকৰ কেইটিমান প্ৰবন্ধ পোন-প্ৰথমে ছপা হৈ ওলায়। ইয়াৰ পিছতে লিখকৰ কেইবাটিও প্ৰবন্ধ মাহেকীয়া আলোচনী "আৱাহন", "পাৰিজাত" আৰু এতিয়া ওলোৱা "ৰামধেনু" প্ৰকাশ পায়। হাতে লিখা অৱস্থাতো লিখকৰ ভালেকেইটি প্ৰবন্ধ থাকে। প্ৰকাশ হোৱা আৰু হাতে লিখা অৱস্থাত থকা আটাইখিনি প্ৰবন্ধকে এখনি কিতাপ মুদ্ৰিত কৰিবলৈ লিখকৰ ইচ্ছা আছিল ; কিন্তু তেনে কৰিলে কিতাপৰ কলেৱৰ বাঢ়ে আৰু ইয়াৰ বাবে লগা হোৱা খৰচৰ ব্যৱস্থাও হৈ নুঠে। সেয়ে প্ৰকাশ হোৱা আৰু হাতে লিখা অৱস্থাত থকা কেইটিমান প্ৰবন্ধকে "চিন্তা-জ্যোতি" উলিওৱা হ'ল। মোৰ পৰম ভক্তিভাজন, অসমীয়া ভাষা-সাহিত্যৰ ওজা শ্ৰীযুত ডিম্বেশ্বৰ নেওগ এম-এ, বি-এছ-চি, বি-টি ডাঙৰীয়াই অনুগ্ৰহকৈ তেখেতৰ বহুমূলীয়া সময় খৰচ কৰি পুথিখনিৰ 'আগকথা' লিখি দি লিখকক উৎসাহিত কৰাত তেখেতৰ নথৈ শলাগ লৈছো আৰু তেখেতৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা আগবঢ়াইছো।

কিতাপখনি যাইকৈ শ্ৰীমতি জীৱকান্তি দত্তৰ সহায়-সহানুভূতিত হে ৰাইজৰ আগত ওলাব পাৰিছে। সেয়ে এই ছেগতে তেওঁলৈও মোৰ আন্তৰিক শুভইচ্ছা জনাইছো। পুথিখনিত থকা সকলো ভুল-ক্ৰুটিৰ বাবে পাঠক-পাঠিকাসকলে নতুন লিখকক মাৰ্জ্জনা কৰে যেন। "শান্তি সাহিত্য মন্দিৰ"ৰ পোনপ্ৰথম অৱদান এই "চিন্তা-জ্যোতি"ৰ প্ৰতি সহৃদয় ৰাইজে মৰমৰ চকুৰে চালেই লিখকৰ সকলো পৰিশ্ৰম সাৰ্থক হব আৰু আগলৈ এই বিষয়ত আকৌ হাত দিবলৈ লিখকে দুগুণ উদগনি লাভ কৰিব।

শান্তি সাহিত্য মন্দিৰ,
নমাটি ৰোড, নাজিৰা
৭ জুন, ১৯৫১ চন

শ্ৰীভোলানাথ দত্ত

সূচী

বিষয়	পিঠি
ব্যক্তিত্ব	১
সেৱা আৰু শান্তি	৯
শান্তিৰ সংগ্ৰাম	১৫
বিশ্ব-শান্তি	২৫
মাও ছে-তুং আৰু চীন	৩২
জনপ্ৰিয় বৰদলৈ দেৱৰ ৰাজনীতি প্ৰতিভা	৩৮
সহশিক্ষাৰ গুৰি কথা	৪৭
ডক্টৰ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ বক্তৃতা	৫২
নোবেল বঁটা পাওঁতা উইলিয়ম ফকনাৰ	৫৬

HEM BARUA LIBRARY
PLEASE HANDLE THE BOOK CAREFULLY
Date..............
TOWN HALL, TEZPUR

চিন্তা-জ্যোতি

ব্যক্তিত্ব

"যিজন মানুহ একো একোটা ভাবৰ কাৰণে নাইবা দেশৰ বাবে নতুবা মানৱ সমাজৰ হিতৰ হকে জীয়াই থাকে, তেওঁৰ কাৰণে জীৱনৰ এটা ব্যাপক অৰ্থ আছে আৰু সেই ফালৰপৰা তেওঁৰ জীৱনৰ জ্বালা-যন্ত্ৰণাৰ গুৰুত্ব তেনেই লঘু হৈ উঠে। সজ আৰু হিতৰ হকে জীৱন-ধাৰণ কৰাই হৈছে সকলোৰে জীৱনৰ হকে জীয়াই থকা। যেতিয়া কোনো এজনে ৰং-ধেমালি আৰু আনন্দ উপভোগ কৰে, তেতিয়া সিবোৰত অকল নিজৰ সুখ অনুভূতিয়ে অনুভৱ হয়; কিন্তু যেতিয়া মানুহে সজ আৰু হিতৰ হকে প্ৰাণ উচৰ্গা কৰে, তেতিয়া সেই সজ আৰু হিত সাধনৰ কথা চিৰকালৰ কাৰণে স্মৰণীয় হৈ পৰে আৰু সিবোৰ গোটেই মানৱ সমাজৰে সুখ-শান্তিৰ লগত জড়িত হৈও উঠে।" বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে মানৱ জীৱন

সম্বন্ধে এনেদৰে মত প্ৰকাশ কৰিছে। ব্যক্তিত্বৰ বিকাশেই মানুহৰ জীৱন আৰু জীৱনৰ বিভিন্ন ক্ষেত্ৰৰ মাজেদিহে ব্যক্তিত্বই বিকাশ লাভ কৰিবৰ সুবিধা পায়। জীৱনত সকলোৱে একেপিনেদিয়ে নিজৰ প্ৰতিভাৰ পৰিচয় দিব নোৱাৰে। কোনোৰ ৰাজনীতিত, কোনোৰ সাহিত্যত, কোনোৰ সংগীতত, কোনোৰ বিজ্ঞানত, কোনোৰ অংকন বিদ্যাত, কোনোৰেবা আকৌ খেল-ধেমালিত নিজ নিজ অভিৰুচি থাকে আৰু সেয়ে সেইমতে তেওঁলোকৰ জীৱন-প্ৰতিভাৰ প্ৰকাশ দেখা যায়।

ৰুজভেল্ট, লেনিন, মাও-চেতুং, ষ্টেলিন, চানয়েট চেন, মহাত্মা গান্ধী, পণ্ডিত নেহেৰু, দেশভক্ত ফুকন আৰু দেশবন্ধু চিত্তৰঞ্জন আদিয়ে প্ৰধানকৈ ৰাজনীতি ক্ষেত্ৰৰ যোগেদিয়ে নিজৰ প্ৰতিভা ফুটাই তুলিছে। সুপ্ত ৰাছিয়াক লেনিনে জীয়াই তুলিলে, ডাঃ চানয়েট চেনে চীনত নতুন প্ৰাণৰ সঞ্চাৰ কৰিলে আৰু মহামানৱ মহাত্মা গান্ধীয়ে ভাৰতবাসীক আগুৱাই নি বিশ্ব-দৰবাৰত স্থান দিলে।

ৰবীন্দ্ৰনাথ, ইকবল, ৰোমাৰোঁলা বাৰট্ৰেণ্ড ৰাছেল, কাউণ্ট টলষ্টয়, জৰ্জ্জ বাৰ্ণাৰ্ড শ্ব' আদি বিশ্ববিখ্যাত লিখকসকলে মানৱপ্ৰেমমূলক সাহিত্যৰ মাজেদিয়ে বিশ্বজগতত সমাদৰ লভিলে। ভলটেয়াৰ-ৰুছোৱে লিখনিৰে যুগান্তৰ সৃষ্টি কৰিলে। চীনত হুছিয়ে প্ৰসিদ্ধ গ্ৰন্থকৰ্ত্তা আৰু ভাষা সংস্কাৰক হিচাবে আৰু এমেৰিকা প্ৰবাসী চীনৰ লিন্-য়ু-

টাঙে—যাৰ সাহিত্য সৃষ্টিৰ বাহন মাতৃভাষা নহয়, ইংৰাজীতে—বিংশ শতাব্দীত স্বদেশৰ বাহিৰতো মানৱ মনৰ ওপৰত প্ৰভাৱ পেলাব পৰা সাহিত্য-সৃষ্টিৰে নিজৰ প্ৰতিভা বিতৰণ কৰিছে। জাপানত চৌব্বিশ বছৰতে মৃত্যুমুখী মহিলা কবি ইচিয়ো আৰু কবি তোছনে প্ৰতিষ্ঠা লাভ কৰিলে। আনহাতে আমি দেখো ইয়াৰো আগতে বহুতো সাহিত্যিকে নিপুণ লিখনিৰে জগতত অমৰত্ব লাভ কৰি গৈছে। ডাৰ-উইনৰ বিৱৰ্তনবাদ, কাৰ্ল মাক্সৰ জীৱন দৰ্শন, বাৰ্গচাঁৰ প্ৰাণ-শক্তিৰ ৰহস্য উদঘাটন, হেভলক এলিচ ফ্ৰয়েড আৰু যুং প্ৰমুখ্যে মনীষীসকলে মনোবিজ্ঞান বিষয়ৰ তথ্য আৱিষ্কাৰৰ মাজেদি আধুনিক সাহিত্যত নতুন প্ৰভাৱেৰে নিজৰ চিনাকি বিস্তাৰিত কৰিলে। ভাৰতবৰ্ষত দৰ্শন শাস্ত্ৰৰ যোগেদিয়ে স্যাৰ এচ কে ৰাধাকৃষ্ণনে নিজৰ পাৰদৰ্শিতা দেখুৱাইছে।

ৰাজনীতি আৰু সাহিত্য ক্ষেত্ৰৰ দৰে বিজ্ঞানৰ ক্ষেত্ৰতো মানুহে নিজৰ ব্যক্তিত্ব বিকাশ কৰিব পাৰে। ১৬৩৮ খৃঃত গেলিলিওৰ দ্বাৰা দূৰবীক্ষণ যন্ত্ৰ আৱিষ্কাৰ হোৱাতে জ্যোতিৰ্বিজ্ঞানত দহোটাকৈ গুৰুত্বপূৰ্ণ আৱিষ্কাৰ সম্ভৱ হৈ উঠিল। ঊনবিংশ শতাব্দীৰ শেষ ভাগত ১৮৭৬ চনত ভাৰতত বিজ্ঞান সাধনাৰ পোনপ্ৰথম সূত্ৰপাতৰ হেতু কলিকতাত "ইণ্ডিয়ান এছোচিয়েশ্যন ফৰ ডি কাল্টিভেশ্যন অব চায়েঞ্চ" নামে বিজ্ঞান সভা পাতে চিকিৎসক ডাঃ মহেন্দ্ৰলাল চৰকাৰে আৰু এতিয়াও থকা বহুবাজাৰৰ এও

ঘৰতেই গৱেষণা কৰি চন্দ্ৰশেখৰ বেংকট ৰমণে ১৯৩০ চনত নোবেল পুৰস্কাৰ লাভ কৰে আৰু এই বিজ্ঞানাগাৰৰ জৰীয়তেই অধ্যাপক এছ কে কৃষ্ণন ৰয়েল চোচাইটিৰ সভ্য নিৰ্ব্বাচিত হয়। ১৯০৪ চনত চেতন আৰু অচেতনৰ উত্তেজনাৰ অনুভৱ সম্বন্ধে একত্বমূলক আৰু যুগান্তকাৰী তথ্য ঘোষণা আৰু জীৱিত কালত অৱলা উদ্ভিদৰাজ্য সম্বন্ধে গৱেষণা কৰিয়ে পদাৰ্থৱিদ জগদীস বসুৱে বিজ্ঞান জগতত পৰিচয় লভিলে। নাইট্ৰাইট সম্বন্ধে গৱেষণা কৰিয়ে আধুনিক ভাৰতীয় ৰসায়ন শাস্ত্ৰৰ জনক আচাৰ্য্য প্ৰফুল্ল চন্দ্ৰ ৰায়ে "নাইট্ৰাইটৰ ৰজা" আখ্যা লাভ কৰিব পাৰিছিল। ভাৰত চৰকাৰৰ "পৰমাণৱিক শক্তি কমিস্যন"ৰ চেয়াৰমেন আৰু বৰ্ত্তমান বছৰৰ বিজ্ঞান কংগ্ৰেছৰ সভাপতি অধ্যাপক ডক্টৰ হোমী জে ভাবাই কসমিক ৰশ্মি বা নভোৰশ্মি সম্পৰ্কীয় গৱেষণাৰ যোগেদিয়ে আন্তৰ্জ্জাতিক জগতত প্ৰতিষ্ঠা লভিছে। জ্যোতি বিজ্ঞানত গৱেষণা কৰিয়ে এছ চন্দ্ৰশেখৰ পৃথিৱীৰ অন্যতম শ্ৰেষ্ঠ গাণিতিক জ্যোতিৰ্বিজ্ঞানীৰূপে স্বীকৃত হৈছে। এছ চন্দ্ৰশেখৰৰ সম্বন্ধে পৃথিৱীৰ শ্ৰেষ্ঠ জ্যোতিৰ্ৱিদসকলে এই বুলিহে মত প্ৰকাশ কৰে—"তেখেতৰ দৰে জ্যোতিৰ্বিজ্ঞানী পৃথিৱীত অতি তাকৰে জন্মিছে।" তেখেতৰ দৰে লোকৰ উপযুক্ত বিজ্ঞানাগাৰ ভাৰতত এতিয়াও প্ৰতিষ্ঠা নোহোৱাতে মাৰ্কিণ দেশৰ অন্যতম শ্ৰেষ্ঠ মান মন্দিৰ য়াৰ্কেছ অবজাৰভেটৰিতে অধ্যাপকৰ পদত তেখেত অধিষ্ঠিত

আছে। তেনেকৈয়ে ভাৰতৰ ডক্টৰ জেল্লপ্ৰগাঢ় সুব্বাৰাওৰ কথালৈ যদি মন দিয়া হয়, তেন্তে তেখেতৰ সম্বন্ধে ইয়াকে কব পাৰি যে তেখেতৰ প্ৰতিভাৰ বিকাশ নৌ হবলৈ পাওঁতেই এই সংসাৰৰপৰা তেখেত বিদায় লবলগীয়াত পৰে। মাৰ্কিণ যুক্তৰাষ্ট্ৰৰ এটা প্ৰখ্যাত ঔষধ প্ৰস্তুতকাৰক লেবৰেটৰীৰ তেখেত আছিল অধ্যক্ষ আৰু পৃথিৱীৰ দহ জন শ্ৰেষ্ঠ জৈব বিজ্ঞানীৰ ভিতৰতে তেখেতৰ স্থান নিৰ্দ্ধাৰিত হৈছিল। ব্যক্তিগত সম্পত্তি পৰ্য্যন্ত দান কৰি বীৰবল ছাহনীয়ে পৃথিৱীৰ পোনপ্ৰথম "ইনষ্টিটিউট অব পেলিও বটানি" বা প্ৰত্নোদ্‌ভিদগাৰ স্থাপন কৰে। ভাৰতত বিজ্ঞান চৰ্চা খৰতৰ কৰি তুলিবলৈ যি "কাউন্সিল অব ছায়েন্টিফিক এণ্ড ইণ্ডাষ্ট্ৰিয়েল ৰিছাৰ্চ" স্থাপিত হৈছে তাৰ কৰ্ণধাৰ হ'ল স্যাৰ শান্তিস্বৰূপ ভাটনগৰ আৰু তেঁৱে হল একমাত্ৰ ভাৰতীয় ৰাসায়নিক যি ৰয়েল ছোছাইটিৰ সভ্য। জাৰ্মাণ ইহুদী বিশ্ববিখ্যাত বৈজ্ঞানিক এলবাৰ্ট আইনষ্টাইনে ১৯০৫ চনতে "থিওৰী অব্ ৰিলেটিভিটী" (Theory of relativity) প্ৰকাশ কৰি জগতক চমক খুৱাইছিল আৰু এতিয়াও এওঁৰে প্ৰচাৰিত "জেনেৰেলাইজড থিওৰী অব ৰিলেটিভিটী"য়ে বিজ্ঞান জগতত যথেষ্ট আগ্ৰহৰ সঞ্চাৰ কৰিছে। আনহাতে মেডেম কুৰীয়ে "ৰেডিয়াম" আৱিষ্কাৰ কৰি আৰু এলেকজেণ্ডাৰ ফ্লেমিংএ পেনিসিলিন ঔষধ উলিয়াই গোটেই জগতকে বিস্ময় লগাইছে।

বিজ্ঞানৰ দৰে সংগীতৰ ক্ষেত্ৰতো নামাজ্যন তেওঁ-লোকৰ ব্যক্তিত্বৰ পোহৰ বিলাব পাৰে। যোৱা আধা শতাব্দীৰ ভিতৰত যিসকল লব্ধপ্ৰতিষ্ঠ শিল্পীয়ে ভাৰতীয় সংগীতৰ ক্ষেত্ৰত অৱতীৰ্ণ হৈছিল, তেওঁলোকৰ ভিতৰত সৰ্ব্ব-প্ৰথম সংগীত সম্ৰাট আলাদীয়া খাঁৰ কথাকে কব লাগিব। তেওঁ দেহত্যাগ কৰে ১৯৪৬ চনৰ ১৬ মাৰ্চ্চ তাৰিখে বোম্বাই চহৰত। তেখেতৰ সম্বন্ধে পুনা বিশ্ব-বিদ্যালয়ৰ ভাইচ চেন্সেলৰ এম আৰ জয়াকৰে এনেদৰেহে কৈছিল-- "হিন্দুস্থানী সংগীতত তেওঁক হিমালয়ৰ সৰ্ব্বোচ্চ শিখৰৰ লগত তুলনা কৰিলেও অত্যুক্তি নহয়।" আকৌ গীত-পদ্ধতিৰ উন্নত শিখৰত প্ৰতিষ্ঠা পাণ্ডিত্যসকলৰ ভিতৰত ৰামকৃষ্ণ কয়াৰ নাম বিশেষভাৱে উল্লেখযোগ্য। ভাৰতীয় সংগীতৰ পূৰ্ব্বাচাৰ্য্যসকলৰ ভিতৰত যিসকলে নৱীনতাৰ সোঁত বোৱাইছিল ৰামকৃষ্ণ কয়া ইয়াৰে অন্যতম। ভাৰতবৰ্ষত প্ৰধানকৈ পণ্ডিত বিষ্ণুনাৰায়ণ ভাতখণ্ডে, পণ্ডিত বিষ্ণুদিগম্বৰ পালুশকৰ প্ৰভৃতি কৃতী সংগীতজ্ঞসকলৰ চেষ্টাতে সংগীতৰ কিংবদন্তী যুগৰ পৰা আঁতৰাই আনি বৈজ্ঞানিক বিধানেৰে প্ৰতিষ্ঠিত কৰা হয়। পণ্ডিত ভাতখণ্ডে বোম্বাইৰ এক নিষ্ঠাবান মহাৰাষ্ট্ৰীয় বংশত জন্মগ্ৰহণ কৰে। ১৯২৬ চনত তেওঁ লক্ষ্ণৌত যি সংগীত বিদ্যালয় প্ৰতিষ্ঠা কৰে, সি আজিও সংগীত জগতৰ ভালেখিনি অংশ অধিকাৰ কৰি প্ৰতিষ্ঠিত হৈ আছে। ভাৰতীয় সংগীতত আগ্ৰাৰ "ৰংগিলা

ঘৰানা'ৰ হৈয়ো এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই "বংগিলা ঘৰানা"ৰ আজি অলপ দিনৰ আগলৈকে প্ৰধানতম লোক আছিল ওস্তাদ ফেয়াজ খাঁ। সম্প্ৰতিকে তেওঁৰ মৃত্যু হোৱাত ভাৰতবৰ্ষত সংগীত জগতৰ অপূৰণীয় ক্ষতি হৈছে। বিগত প্ৰায় আধা শতিকা ধৰি আৰু যিসকল সংগীতজ্ঞই সংগীত সমাজক উদ্বুদ্ধ কৰিছে তাৰ ভিতৰত আবদুল কৰিমৰ স্থানো তেনে অলপীয়া নহয়। সংগীতৰ ক্ষেত্ৰত নিজৰ ব্যক্তিত্ব-প্ৰতিভাৰ পৰিচয় দিয়াৰ দৰে নৃত্য বিষয়তো উদয়শংকৰৰ দৰে নানা নৃত্যবিদ পুৰুষে জাতীয় আৰু আন্তৰ্জাতীয় খ্যাতি লাভ কৰিছে।

ওপৰত উল্লেখ কৰা বিষয়বোৰৰ উপৰিও নানা জনে চিত্ৰকলা বা অংকন বিদ্যাৰ ক্ষেত্ৰতো পাৰদৰ্শিতা দেখুৱাই নিজক অমৰ কৰি গৈছে। ১৮৪৮ চনৰ পৰা ১৯০৬ চনলৈকে ভাৰতবৰ্ষত য়ুৰোপীয় শিল্প-সংস্কৃতি আয়ত্ত কৰিবলৈ যিসকলে চেষ্টা কৰিছিল, সিসকলৰ ভিতৰত পৰলোকগত ৰাজা ৰবি বৰ্মাৰ নামেই বিশেষকৈ উল্লেখ কৰিবলগীয়া। জীৱিত কালত তেখেতে যেনেকৈ অসামান্য খ্যাতি অৰ্জন কৰিছিল, মৃত্যুৰ পিছত তেনেকৈ তেখেতৰ সেই খ্যাতি ভালেখিনি ম্লান হৈছে। অংকন বিদ্যাত ৰবি বৰ্মা সেই সময়ত ইমান জনপ্ৰিয় হৈ উঠাৰ মূল কাৰণ হৈছে আছিল যে তেখেতৰ অংকিত ছবিয়ে সেইসময়ত গৃহসজ্জাৰ অংগ হিচাবে সহজ স্থান পাইছিল। ৰাজা ৰবি বৰ্মাৰ জীৱিত কালতেই ভাৰতীয়

ৰূপ-কলাৰ আৰু সমগ্ৰভাৱে শিল্প-ৰুচিৰ ক্ষেত্ৰত অভাৱনীয় পৰিৱৰ্ত্তন দেখা দিয়ে। এই পৰিৱৰ্ত্তনৰ প্ৰথম সূচনা কৰে পৰলোকগত ইংৰাজ ই বি হেভেলে। সেই সময়ত এখেত মাদ্ৰাজৰপৰা কলিকতা চৰকাৰী আৰ্ট স্কুলৰ অধ্যক্ষ হৈ আহে আৰু তেতিয়াৰেপৰা হেভেলৰ আন্দোলনৰ মাজেদিয়ে চিত্ৰকলাই ভাৰতবৰ্ষত সৰ্ব্বশ্ৰেষ্ঠ স্থান অধিকাৰ কৰিছিল। চিত্ৰকলাৰ আন্দোলনক কেন্দ্ৰ কৰিয়ে এখেতৰ আন্দোলন সাৰ্থক হৈ উঠে আৰু চিত্ৰকলা আন্দোলনৰ এই সাৰ্থকতা আনিব পাৰিলে হেভেলৰ সৰ্ব্বপ্ৰধান সহায়ক অৱনীন্দ্ৰ নাথ ঠাকুৰৰ অক্লান্ত প্ৰচেষ্টাই। ভাৰতৰ বাহিৰত হেভেল, কুমাৰ স্বামী, উড্ৰফ আৰু ছিষ্টাৰ নিবেদিতাৰ নিচিনাৰ জৰিয়তেই সেইসময়ত অংকন বিদ্যাৰ উৎকৰ্ষ সাধনৰ প্ৰচাৰৰ চেষ্টা ভালেখিনি হৈছিল। ১৯০৭ চনত ওপৰত উল্লেখ কৰা হেভেল, উড্ৰুফ আদিৰ ঐকান্তিক চেষ্টাত নতুন চিত্ৰকৰসকলৰ সংঘ 'ইণ্ডিয়ান চোচাইটি অব অৰিয়েণ্টেল আৰ্ট" প্ৰতিষ্ঠিত হয়। এই সংঘ প্ৰতিষ্ঠাৰ প্ৰায় দহ বছৰৰ পিছত ১৯১৭ চনত এই কেন্দ্ৰতে ভাৰতীয় আদৰ্শত চিত্ৰ-বিদ্যা শিকোৱাৰ ব্যৱস্থা হয় আৰু এই চোচাইটিৰ প্ৰথম শিক্ষক নিযুক্ত হয় নন্দলাল বসু। এই সকলোৰে ভিতৰত বৰ্ত্তমানেও জীয়াই থকা শ্ৰীযুত অৱনীন্দ্ৰ নাথ ঠাকুৰৰ কথাহে এই ক্ষেত্ৰত ঘাইকৈ লেখত লব লগীয়া। এখেতৰ ১৯০০ চনৰ অংকিত আৰব্য উপন্যাসৰ চিত্ৰাৱলীতে

অংকন বিদ্যাৰ সুনিপুণতাৰ বিশেষ পৰিচয় পোৱা যায়।

এনেদৰেই ভিন ভিন সময়ত ভিন ভিন ক্ষেত্ৰৰ জৰীয়তে মানুহে নিজৰ ব্যক্তিত্বৰ প্ৰতিভা ফুটাই তুলি আহিছে। জীৱনত প্ৰতি জনৰে কোনো নহয় কোনো বিষয়ত বিশেষ অভিৰুচি থাকে; অভিৰুচি অনুযায়ী বিভিন্ন জনে বিভিন্ন ক্ষেত্ৰত নিজৰ প্ৰতিভা বিকশিত কৰিব পাৰিলেই সমাজ আৰু দেশৰ উন্নতি অৱশ্যম্ভাৱী।

নাজিৰা, ১৪।০।৫১

সেৱা আৰু শান্তি

সেৱা বুলিলে দেশ-সেৱাকেহে বুজা উচিত। ১৯৪৭ চনৰ ১৫ আগষ্টৰ পিছত সমাজ আৰু জাতি সংগঠনৰ গুৰুত্বৰ কালৰপৰা এই সেৱা-কাৰ্য্যত সকলোৰে একাণ-পতীয়াকৈ লগাটো বাঞ্ছনীয়।

দেশৰ সৰ্ব্বাংগীন উন্নতি সাধিবলৈ হলে জাতিয়ে ৰাজনৈতিক ক্ষেত্ৰত আগবঢ়াৰ লগতে সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰতো আগবাঢ়িব লাগিব। সকলো ক্ষেত্ৰতে আগুৱালেহে জাতিৰ গৌৰৱ বাঢ়ে। ভ-ভাত, ভ-কাপোৰৰ সমাধানেই

ৰাজনীতি ক্ষেত্ৰৰ মূল কথা। পৃথিৱীজোৰা ১ম মহাসমৰৰ পিছত ২য় মহাসমৰো আৰম্ভ হৈ শেষ হ'ল। তথাপিও ইবোৰৰ সমাধান নহ'ল। ভাত কাপোৰৰ সমাধানেৰে সাংস্কৃতিক উন্নতি লভিবলৈ হলে ধনতন্ত্ৰবাদে সমাজতন্ত্ৰবাদক বাট এৰি দিব লাগিব—ইয়েই আজি পৃথিৱীৰ মহাপুৰুষ-সকলৰ মত। পৃথিৱীত ক্ৰমে সমাজতন্ত্ৰবাদৰ শক্তি বাঢ়িছে। ইয়াতে চেতাৰ তুলিবলৈ ধনতন্ত্ৰবাদে আকৌ ৩য় মহাযুদ্ধ প্ৰস্তুত কৰিছে।

সামাজিক ক্ষেত্ৰৰ উন্নতি সাংস্কৃতিক ক্ষেত্ৰৰ উন্নতিৰ লগতে জড়িত। সাংস্কৃতিক ক্ষেত্ৰৰ উন্নতি বুলিলে প্ৰধানকৈ বুজায় সাহিত্য, সংগীত, কলাৰ উৎকৰ্ষ সাধন, বৈজ্ঞানিক ক্ষেত্ৰত অগ্ৰগতি, বেপাৰ-বাণিজ্যত আত্ম-নিৰ্ভৰশীলতা, ইত্যাদি। সাহিত্য ক্ষেত্ৰৰ উন্নতিৰ হকে সকলোৰে সাহিত্য-সেৱাৰ ব্ৰতত ব্ৰতী হোৱা উচিত। ভাৰতবৰ্ষৰ ভিতৰত প্ৰধানকৈ অসম দেশেই ইবোৰত তেনে বেছি আগবাঢ়িব পৰা নাই। ইয়াৰ প্ৰধান অন্তৰায় আছিল আমাৰ দেশত বিশ্ব বিদ্যালয়ৰ অভাৱ। এতিয়া গুৱাহাটী বিশ্ব বিদ্যালয় প্ৰতিষ্ঠা হোৱাত ইবোৰত আগতকৈ বহু অধিক পৰিমাণে আগুৱাব পৰা যাব বুলি ধাৰণা হৈছে। দেশৰ সাংস্কৃতিক উন্নতিত বিশ্ব-বিদ্যালয়, কলেজবোৰৰ দান অপৰিহাৰ্য্য। সেয়ে সাংস্কৃতিক বিকাশৰ বাটত অসমত যিমানে স্কুল-কলেজ-বিশ্ব বিদ্যালয়বোৰ বাঢ়ে সিমানে মংগল। দেশত বাধ্যতামূলক প্ৰাথমিক শিক্ষাই এই শিক্ষানুষ্ঠানবোৰ হোৱাহোৱে হোৱাত

সহায় কৰিব সন্দেহ নাই। আমাৰ ভাষাত অনুবাদমূলক উৎকৃষ্ট গ্ৰন্থৰ সমূলি অভাৱ। উপন্যাস-গল্পৰ কিতাপ আঙুলিৰ মূৰত লেখিব পৰা। দৈনিক কাকত দুখনো ওলালেও আমাৰ ভাষা-সাহিত্য টনকিয়াল কৰাৰ কথাতে চাই আৰু দৈনিকৰ প্ৰয়োজন। অসমীয়া ভাষাত যিমানে দৈনিক কাকত ওলাব আমাৰ ভাষা-সাহিত্যও সিমানে সমৃদ্ধিৰ বাটত আগবাঢ়িব। আমাৰ বাঁহী, আৱাহন, ভ্ৰমৰ, বৰদৈচিলা, সুৰভি আদি কাকতবোৰৰ কোনোবোৰ কেতিয়াবা ওলাইছে, আকৌ কোনোবোৰ কেতিয়াবা একেবাৰে নাইকিয়া হৈছে। অথচ ভাষাৰ সমৃদ্ধিৰ ফাললৈ চাই অসমত মাহেকীয়া, পখেকীয়া, সাপ্তাহিক আদি আলোচনী কাকতৰ প্ৰয়োজন আটাইতকৈ সৰহ। অসমীয়া ভাষাই বিশেষভাৱে গা কৰিব নোৱাৰাৰ কাৰণ বহু বহু বিষয়ত। সিবোৰৰ ভিতৰত এটা হৈছে আমাৰ পৰ্ব্বতীয়া ভাইহঁতে অসমীয়া নকৈ তেওঁলোকৰ নিজ নিজ দোৱানহে কয়। ফলত আমাৰ ভাষাত পঢ়ুৱৈ সমাজৰ সংখ্যা তাকৰীয়া হৈ পৰিছে। আনবোৰ কাৰণৰ ভিতৰত এটা লেখত লবলগীয়া অভাৱৰ কথা এয়ে যে অসমীয়াই আজিলৈকে ফটোগ্ৰাফি শিকিবলৈ তেনেদৰে মন দিয়া নাই আৰু অসমত উপযুক্ত পৰিমাণে ব্লক (Block) তৈয়াৰ ব্যৱস্থা হোৱা নাই। ব্লক তৈয়াৰ কৰিব পৰা নগলে আলোচনী, বাতৰি কাকত আদি ছবিৰে সুশোভিত কৰিবও নোৱাৰি। ফলত ছবি আদি নাইকিয়া আমাৰ কাকত-পত্ৰৰ

প্ৰতি আকৰ্ষণে। অসমীয়া ৰাইজৰ [illegible] কৰি যায়, মানসিক খোৰাকীও যোগাৰ নহয়। সেয়ে সাংবাদিক, লিখক-লিখিকাৰ সংখ্যাও যথোচিতৰূপে উন্নতি হোৱা নাই। অংকন বিদ্যাৰ উৎকৰ্ষ সাধনৰ কাৰণে ঠায়ে ঠায়ে আৰ্ট স্কুল পতা হোৱা নাই। শিল্প আৰু সাহিত্যই জাতিৰ গৌৰৱ। আমি জয়া হৈছে—অসমৰ শিল্পী, সাহিত্যিক, সাংবাদিক-সকলে এনে সংগ্ৰামী মন লৈ কামত আগুৱাব লাগিব বৰ্ত্তমান অসমীয়া যি সাহিত্য ভঁৰাল আছে, তাক লৈ আমি নিজেই সন্তুষ্ট হ'ব পৰা নাই। ইংৰাজী আন্তৰ্জাতিক ভাষা। পৃথিৱীৰ চহকী সাহিত্য এই ভাষাত আছে। সেইবোৰৰপৰা অনুবাদ কৰি অসমীয়া সাহিত্য চহকী কৰিব লাগিব। আমাৰ লিখকসকলে আমাৰ ভাষাত যিবোৰ আপুৰুগীয়া সম্পদ আছে সিবোৰ ইংৰাজীলৈ, হিন্দীলৈ অনুবাদ কৰি আমাৰ সংস্কৃতি-সভ্যতা আনসকলৰ আগত দাঙি ধৰিব লাগিব। ভাৰতবৰ্ষৰ উন্নত হিন্দী-বঙালী সাহিত্যবোৰো আমি অধ্যয়ন কৰিব লাগিব। আমাৰ পৰ্ব্বতীয়া ভাইসকলৰ ভাষা-দোৱানো আমি শিকিব লাগিব আৰু সিসকলৰ ভাল ৰীতি-নীতি, আচাৰ-ব্যৱহাৰবোৰ আমি লব লাগিব আৰু আমাৰবোৰো সিসকলক দিব লাগিব। অসমখন বুৰঞ্জীৰে ভৰি থকা দেশ। বুৰঞ্জীৰ প্ৰকৃত তথ্যবোৰ উদঘাটন কৰিব লাগিব। আমাৰ ভাষা-সাহিত্য চহকী কৰি যাওঁতা, দেশবীৰ-ত্যাগবীৰ—যেনে সাহিত্যৰথী বেজবৰুৱা, ভীষ্ম-প্ৰতিম

পদ্মনাথ গোহাঞিবৰুৱা, ৰোহিণী কান্ত হাতীবৰুৱা, সোণাৰাম দত্ত দেশভক্ত ফুকন, আগৰীৰ হেম বৰুৱা, কৃষ্ণ শর্ম্মাকে আদি কৰি লোকসকলৰ ভাল উৎকৃষ্ট জীৱনী গ্ৰন্থ উলিয়াব লাগিব।

সংগীতৰ উৎকৰ্ষ সাধনৰ বাবে সংগীত স্কুল, কলেজবোৰ পাতিব লাগিব। অসমীয়া "উদয়শংকৰ" ওলাব লাগিব। ষ্টেডিয়ামৰ ব্যৱস্থা ঠায়ে ঠায়ে হব লাগিব। ষ্টুডিঅ' পাতি যথেষ্ট পৰিমাণে কথা-ছবি উলিয়াব লাগিব। সামূহিক প্ৰচেষ্টাৰে গাঁৱে, গাঁৱে ৰেডিঅ'-ক্লাব পাতিব লাগিব। দৈনিক কাকত পঢ়িব লাগিব। প্ৰত্যেকে ৰেডিঅ' শুনিব লাগিব। বৈজ্ঞানিক ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে, দিল্লী, পুণা নগৰীত পতাৰ দৰে নেশ্যনেল লেবৰেটৰীবোৰ অসমতো পাতিব লাগিব। আইনষ্টাইন, জলিয়ট কুৰি, ছি-ভি ৰমণ, প্ৰশান্ত মহলানবীশ, ভাটনগৰ, মেঘনাদ চাহা, জগদীশ বোসৰ দৰে বৈজ্ঞানিক আমাৰ অসমৰ পৰাও হেজাৰে-বিজাৰে ওলাব লাগিব। অসমত গঢ়ি উঠিব সম্ভাৱনা থকা বিষয়বোৰৰ ৰিছাৰ্চ ইনষ্টিটিউটবোৰ ঠায়ে ঠায়ে হব লাগিব। গাঁৱে-ভূঞে বিজুলী-বাতিৰ পোহৰ পাবলৈ, বেপাৰ-বাণিজ্যৰ বিস্তৃতি হবলৈ দামোদৰ-মহানদীৰ দৰে পৰিকল্পনা আমাৰ অসমতো সোনকালে হব লাগিব। হেজাৰ হেজাৰ অসমীয়া ভাই-ভনী মস্কো, নিউয়ৰ্ক, লণ্ডন, পেৰিছৰ দৰে ভাৰতৰ বাহিৰৰ ঠাইবোৰলৈ যাব লাগিব।

ত্যাগবীৰ হেমবৰুৱা, দেশভক্ত ফুকন, ৰোহিণী কান্ত হাতীবৰুৱা, কৃষ্ণনাথ শৰ্ম্মা, সোণাৰাম দত্ত, ভুবন গগৈ, নবীন চন্দ্ৰ বৰদলৈ, সাহিত্য-সম্ৰাট বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ দৰে অসংখ্য কৰ্ম্মবীৰ-ত্যাগবীৰসকলৰ জন্ম-তিথি, মৃত্যু-তিথিবোৰ পাতিব লাগিব। বুৰঞ্জীবিদ বেণুধৰ শৰ্ম্মা, সাহিত্যিক পদ্মধৰ চলিহা, ডাঃ দীননাথ শৰ্ম্মা, নীলমণি ফুকন, কবি ৰঘু চৌধুৰী, নলিনীবালা দেৱী, সূৰ্য্যকুমাৰ ভূঞা, কৃষ্ণকান্ত সন্দিকৈ, ডিম্বেশ্বৰ নেওগ, বিষ্ণু ৰাভা, চন্দ্ৰধৰ বৰুৱা, বেণুধৰ ৰাজখোৱা, অম্বিকা গিৰি, লক্ষ্মীনাথ ফুকন, বাণীকান্ত কাকতিৰ দৰে অসংখ্য সাহিত্যিকৰ, দেশ আৰু সমাজসেৱকৰ জীৱন-জয়ন্তী পাতিব লাগিব।

ইবোৰ কৰি দেশক, জাতিক আগুৱাবলৈ হলে মানুহৰ মনলৈ সেৱাৰ ভাব আহিব লাগিবই। গোটেই মানৱ জাতিৰ সমষ্টিগত প্ৰচেষ্টাত এই পৃথিৱী এদিন সুন্দৰ হৈ উঠিবই, জগতলৈ শান্তি আহিবই।*

*১৯৫০ চনৰ ১ম বছৰৰ ১ম সংখ্যা 'নিজৰা'ত প্ৰকাশিত।

শান্তিৰ সংগ্ৰাম

গোটেই পৃথিৱী জুৰি আজি মাথোন একেটা কথাকে শুনা গৈছে—শান্তি লাগে, আমক শান্তি লাগে। অথচ পৃথিৱীৰ দৈনন্দিন ঘটনাৱলীলৈ যদি লক্ষ্য কৰা যায়, তেন্তে অতি সোনকালেই যে জগতজোৰা যুদ্ধ এখনৰ পুনৰ আগন্তুক



হৈছে, এই কথা স্পষ্ট হৈ পৰে। বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে গঠন হোৱা সম্মিলিত জাতি সংঘৰ লেক-ছাকছেছৰ অধি-বেশনবোৰত হোৱা গৰম গৰম বাক বিত-ণ্ডাবোৰলৈ মন কৰিলেই এই কথা ফটফটী-য়াকৈ ধৰা পৰে। এটম বোমাক লৈয়েই গোটেই পৃথিৱী ভুলস্থূল লাগিছে। এটম বোমাক হাতত লৈযে কোনো

কোনো জাতিয়ে পৃথিৱীৰ গতি নিয়ন্ত্ৰণ কৰিব পাৰিব বুলি ভাবিছে। আনহাতে এটম বোমাক মানৱ জাতিৰ নিধন কাৰ্য্যৰ হকে কোনোৱাও ব্যৱহাৰ নকৰিবলৈ আৰু সেয়ে ইয়াক বে-আইনী ঘোষণা কৰিবলৈ গোটেই পৃথিৱী জুৰি আন্দোলন চলিছে। অনুমতি নিদিয়াত সিদিনা ১৯৫০ চনৰ ১৬ নবেম্বৰ তাৰিখে লণ্ডনৰ শেফিল্ডৰপৰা আঁতৰাই চুইজাৰলেণ্ডৰ ৱাৰ্চ্চত বিশ্ব-শান্তি কংগ্ৰেচ বহিল। বিভিন্ন দেশৰ প্ৰায় পাঁচ হজাৰ প্ৰতিনিধিয়ে সেই সভাত যোগদান কৰিছিল। ইংলণ্ডৰপৰা বহিষ্কাৰ কৰা বিশ্ব-বিখ্যাত বৈজ্ঞানিক অধ্যাপক জলিয়ট কুৰি, কেণ্টাৰবেৰিৰ ৰেড ডিন, ডক্টৰ হিউলেট জন্সন, ভাৰতবৰ্ষৰ সৰোজিনী নাইডুৰ ভায়েক শ্ৰীহৰীন্দ্ৰনাথ চট্টোপাধ্যায়, চীনৰ মেডেম চানয়েট চেন, চোভিয়েট ৰাছিয়াৰ প্ৰসিদ্ধ লিখক এম এলেকজেণ্ডাৰ ফাডায়েভ আদি ভিন ভিন দেশৰ খ্যাত বিখ্যাত লোকসকল এই সভাত উপস্থিত আছিল। এই বিশ্ব-শান্তি কংগ্ৰেচত আন আন বিষয়ৰ উপৰিও প্ৰধানকৈ এই তিনটা কথাই মুখ্য হৈ উঠে—(১) দেশ-বোৰৰ সেনা-সামন্ত ১৯৫১ আৰু ১৯৫২ চনত ক্ৰমে এক তৃতীয়াংশ আৰু এক অৰ্দ্ধাংশলৈ তাকৰাব লাগে। (২) ছিকিউৰিটি কাউন্সিলত অস্ত্ৰ-শস্ত্ৰ তাকৰাবৰ বাবে আৰু এটম বোমাকে আদি কৰি সকলো ৰকমৰ সাংঘাতিক ৰাসায়নিক অস্ত্ৰ-শস্ত্ৰ আৰু যন্ত্ৰ-পাতিবোৰ নিয়ন্ত্ৰণ কৰিবৰ হকে এক আন্তৰ্জাতিক নিয়ন্ত্ৰণ সংঘ (International control body)

গঠন কৰিব লাগে। (৩) অস্ত্ৰ-শস্ত্ৰবোৰৰ উৎপন্ন বিষয়ত প্ৰয়োজনমতে অনুৰোধক্ৰমে বাৰণ কৰি দিবলৈও এক আন্তৰ্জ্জাতিক সংঘ গঠন হব লাগে। ইয়াৰ পিছতে (১৯৫০, ১৭ নৱেম্বৰ) নিউয়ৰ্কৰ ফ্লাছিং মিডৰ খবৰত প্ৰকাশ—নতুন যুদ্ধ এখন আঁতৰোৱাৰ অভিপ্ৰায়ে ছোভিয়েট ৰাছিয়াই যি 'ষ্টকহলম শান্তি আৱেদন" দাঙি ধৰিছে, সাধাৰণ পৰিষদে তাক অগ্ৰাহ্য কৰিছে, অকল মাথো ৰাছিয়াৰ সহযোগী পাঁচখন দেশেহে ইয়াক সমৰ্থন কৰিছে। যিখন দেশেই পোনপ্ৰথমে এটম বোমা প্ৰয়োগ কৰিব সেইখন দেশকেই যুদ্ধৰ বাবে দায়ী ঘোষণা কৰা হব; আৰু শান্তিৰ বাবে ডাঙৰ পাঁচোটা শক্তিয়ে চুক্তি কৰি পিছৰ বছৰতে বিভিন্ন দেশৰ মিলিটেৰী ফৌজ এক তৃতীয়াংশলৈ আনিব লাগে বুলি ছোভিয়েট ৰাছিয়াই অনা দুটা প্ৰস্তাৱো সাধাৰণ পৰিষদে অগ্ৰাহ্য কৰে; মন কৰিবলগীয়া এয়ে যে সিদিনাৰ পৰিষদত আণৱিক শক্তি নিয়ন্ত্ৰণ কৰা বিষয়ত এমেৰিকাই অনা প্ৰস্তাৱহে পৰিষদে গ্ৰহণ কৰে। সম্মিলিত জাতি-সংঘৰ অধিৱেশনতে আকৌ দেখা গৈছে যে সংঘৰ ছেক্ৰেটাৰী জেনেৰেল এম ট্ৰাইগভ লাইয়ে দহ-সৰ্ত্তীয়া এক শান্তি আৱেদন দাখিল কৰিছে। এই সৰ্ত্তমতে বিশ্বত দেখা দিয়া শীতল যুদ্ধ ওৰ পেলাব লাগে আৰু জাতি-সংঘৰ যোগেদি বিশ বছৰৰ ভিতৰতে সৰ্ত্তসমূহ ফলৱতী কৰি বিশ্বত শান্তি প্ৰতিষ্ঠাৰ পোহৰ পেলাব লাগে। বাতৰি কাকতত যি দেখা গৈছে,

তাৰপৰা এইটো বুজিব পাৰি যে ছোভিয়েট ৰাছিয়া ট্ৰাইগভ লাইয়ে অনা এই শান্তি প্ৰস্তাৱত ৰাজি আছিল—মাথো কৈছিল যে কমিউনিষ্ট চীনক জাতি-সংঘত স্থান দিব লাগিব আৰু শান্তি-সন্থৰ প্ৰধান প্ৰধান কথাবোৰ সময়ে সময়ে জাতি-সংঘৰ বিভিন্ন জাতিসমূহৰ মাজত আলোচনা কৰি থাকিব লাগিব।

এনে সময়তে আহিল—ক্ৰমেনৰ এটম বোমা পেলোৱাৰ ভাবুকিৰ কাহিনী। কোৰিয়াত কমিউনিষ্টৰ দ্বিতীয়বাৰ অপ্ৰতিহত গতি দেখি ৱাশ্চিংটনত প্ৰেছিডেণ্ট ক্ৰমেনে সদম্ভে ঘোষণা কৰিলে—যুক্ত-ৰাষ্ট্ৰৰ বহুতো মিলিটেৰী অস্ত্ৰ-শস্ত্ৰৰ ভিতৰত এটম বোমাও এটা। সেয়ে সম্মিলিত জাতি-সংঘৰ অনুমতি নোহোৱাকৈ অকল এমেৰিকাযে যি কোনো দেশতে প্ৰয়োজনমতে এটম বোমা পেলাব পাৰিব। পিছদিনাই বৃটেনৰ প্ৰধান মন্ত্ৰী এটলিক ৱাশ্চিংটনলৈ মতা হ'ল। গোটেই পৃথিৱীতে হৈ চৈ লাগিল। চাৰ্চ্চিলৰ দৰে ৰক্ষণশীল নেতায়ো এই সময়ত চীনৰ লগত যুদ্ধৰপৰা হাত এৰাবলৈ জাতি-সংঘক আবেদন জনালে। তেওঁৰ মতে "চীন-ৰাছিযাৰ ষড়যন্ত্ৰ" পৃথিৱীজুৰি এই সময়ত থাকিলেও অন্ততঃ ৰাছিয়াৰে এই সময়ত বিশ্ব-যুদ্ধ এখনত নমাৰ সম্ভাৱনা নাই।— It certainly does not seem in the Russian interest to begin a major struggle now. লেকছাকছেছত শ্ৰীযুতা বিজয়লক্ষ্মী পণ্ডিতে কলে—শতাব্দী ধৰি

গঢ়ি উঠা সভ্যতা ধূলিস্যাৎ হব যদিহে এছিয়া বা পৃথিৱীৰ যি কোনো ঠাইতে এটম বোমা পেলাবলৈ হয়হে। আন এজন এছিয়াৰ জননেতাই মাত লগালে—হিৰোছিমা আৰু নাগাছাকিত পেলোৱাৰ পিছত যদিহে এতিয়া এটম বোমা চীন বা কোৰিয়াত পেলাবলৈ হয়হে, ইয়াৰ বাবে এশ বিশকোটি এছিয়াবাসীৰ ঘৃণাৰ পাত্ৰ হব লাগিব—এমেৰিকা। কেনেডাৰ বৈদেশিক কাৰ্য্যৰ ষ্টেট ছেক্ৰেটাৰী মিঃ পিয়েৰ্সনেও এটম বোমাৰ বিৰুদ্ধে মত প্ৰকাশ কৰে। এটমিক বোমাৰ কথা শুনিয়ে বেলগ্ৰেডত মাৰ্শাল টিটোৱে কয় যে কোৰিয়াৰ যুদ্ধত এটম বোমা পেলাবলৈ হলে ইয়ে বিশ্ব-যুদ্ধত পৰিণত হৈ উঠিব। বৃটেনৰ এশ পাৰ্লিয়ামেণ্ট সদস্যই এটম বোমাৰ কথা শুনিয়ে ইয়াৰ বিৰুদ্ধে তীব্ৰ মেমৰেণ্ডাম দাখিল কৰে আৰু কয় যে এটম বোমা পেলাবলৈ হয় যদি অতি সোনকালেই কোৰিয়াত থকা সকলো বৃটিশ সৈন্য লৈ আহিব লাগে। ইটালীৰ যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতৰ অফিছত এটম বোমাৰ বিৰুদ্ধে অসন্তোষ প্ৰকাশ কৰা হেজাৰ-বিজাৰ মানুহক দমাবলৈ জুমে জুমে পুলিচ নিয়োগ কৰিব লগা হল; মিলানৰ শ্ৰমিকসকলৰ সমদল যাত্ৰাক বাধা দিবলৈ সশস্ত্ৰ মিলিটেৰী বাহিনীৰ উজান উঠিল। জাতি-সংঘত পাকিস্তানৰ প্ৰতিনিধি জাফৰুল্লা খানেও ইয়াৰ বিৰুদ্ধে তীব্ৰ মন্তব্য প্ৰকাশ কৰিলে। ভাৰতৰ প্ৰধান মন্ত্ৰী পণ্ডিত নেহেৰুৱে কলে—এটম বোমা পেলাবলৈ বাধ্য হোৱা মানে পৃথিৱীখন অধঃপতনত শৰণ

লোৱা। বাতৰি কাকতৰ সম্পাদক সন্মিলনত নেহেৰুৱে এই লৈয়ে বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে প্ৰধানকৈ তিনটা কথালৈ মন দিবলৈ জগতবাসীক বাণী শুনালে—(১) জাতিসমূহে ইটোৱে সিটোক অপবাদ দিয়া অভ্যাস এৰিব লাগে। ইটো জাতিয়ে সিটো জাতিৰ পাপ বা ভুলবোৰ খুচৰি খুচৰি উলিওৱাটো উজু, কিন্তু শান্তিৰ কাৰণে ই উপযোগী নহয়; সেয়ে নিজৰ অনুভূতিক পোনবাটে চলাই নিব লাগে। (২) কোনোৰকমৰ শান্ত অৱস্থা এটাৰ সৃষ্টি কৰিব পাৰিলেই কোনো মানুহে বা কোনো জাতিয়ে সমস্যাসমূহৰ অস্থায়ী সমাধানৰ বাটৰ কথা চিন্তা কৰিব পাৰে। আৰু (৩) তেতিয়া হলেই সমস্যাবোৰৰ স্থায়ী সমাধানৰ বাট ওলায়। তেখেতৰ মতে দুৰ্য্যোগময় পৰিস্থিতিত গভীৰ আগ্ৰহ আৰু নম্ৰতাৰ মনোৱেশেৰে সমস্যাসমূহৰ আগত উপস্থিত হ'লেই ই অনায়াসে সমাধান হৈ উঠে। কোনো দেশেই অকল মাথো নিজৰ সন্মান বা ক্ৰোধৰ বাবেই বিশ্ব-শান্তিত বিঘিনি ঘটাবলৈ বিচৰা উচিত নহয়। ভাৰতবৰ্ষই হওক বা পৃথিৱীৰ আন যি কোনো দেশেই হওক, দেশ এখনক ঘৃণা কৰাটো ভাল কথা নহয়। এখন দেশ কোটি কোটি সুন্দৰ, শান্তিকামী জনমানৱৰ সমষ্টি। কোনো দেশ এখনৰ গৱৰ্ণমেণ্টে ভুল কৰিব পাৰে, সেই দেশৰ ৰাজনৈতিক কোনো কোনো নেতাৰ হয়তো তাতোকৈও সৰহ ভুল হব পাৰে; কিন্তু সেই বুলিয়ে সিখন দেশ বা সিখন দেশৰ জন-

সাধাৰণেই বেয়া—এনেকৈ কোৱা কেতিয়াও উচিত নহয়। বাহ্যিকৰূপে যথেষ্ট বিভিন্নতা থাকিলেও বিভিন্ন দেশৰ মাজত আৰু আমাৰ বিভিন্ন মানুহৰ মাজত একো একোটা সাদৃশ্য আছে। সেই সাদৃশ্যকে, সেই বন্ধুত্ব ভাৱকে আমি অন্তৰত সুমুৱাই লবলৈ উৎসাহ-উদগণি আনিব পাৰিলেই বিশ্ব-শান্তিৰ বাট ভালেখিনি সুগম হৈ উঠে।

বিশ্বত শান্তি প্ৰতিষ্ঠাৰ হকেই সম্মিলিত জাতি-সংঘৰ জন্ম; সেয়ে সংঘই এনে নীতি-নিয়েমেৰে কাম কৰিব লাগে যি নীতি-নিয়মৰপৰা বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাট মুকলি হয়। যি খন দেশৰ যি গৱৰ্ণমেণ্ট, সেইখন দেশৰ সেই গৱৰ্ণমেণ্টৰ প্ৰতিনিধিয়ে সংঘত স্থান পোৱা উচিত। অথচ প্ৰায় ৪৮ কোটি লোকক শাসন কৰোতা চীনা কমিউনিষ্ট গৱৰ্ণমেণ্টৰ প্ৰতিনিধি বিভিন্ন দেশৰপৰা বছৰৰ পিছত বছৰ ধৰি দাবী কৰি অহাতো আজিলৈকে লোৱা হোৱা নাই। এমেৰিকাই পোহপাল দি ৰখা ফৰমোছাৰ শ্বিয়াংকাইছেকৰ প্ৰতিনিধি এজনক গোটেই চীনৰে প্ৰতিনিধি হিছাবে ৰখা হৈ আহিছে। অইন কথা এৰি অকল এই ফালৰপৰাই জাতি-সংঘখন এটা বিশেষ জাতিৰ দ্বাৰা পৰিচালিত হৈছে বুলি ঠাৱৰ কৰিব পাৰি। সিদিনা ফৰমোছা সম্পৰ্কে তেওঁলোকৰ বক্তব্য ডাঙি ধৰিবলৈ চীনৰ কমিউনিষ্ট প্ৰতিনিধিসকলক মতা হ'ল। সংঘৰ অধিৱেশনৰ আৰম্ভৰপৰাই এমেৰিকান প্ৰতিনিধি

অষ্টিনৰ আৰু চীনৰ প্ৰতিনিধি জেনেৰেল উ-ছিউ-চোৱানৰ মাজত তুমুল বাক্-বিতণ্ডা চলিল—জানিবা দুদলৰ মাজত থৈয়া-নথৈয়া ৰণহে লাগিছে। অষ্টিনৰ মতে কোৰিয়াৰ যুদ্ধখন চীনেহে লগাইছে আৰু সকলো ক্ষেত্ৰতে জাতি-সংঘৰ সিদ্ধান্ত চীনে মানিব নোখোজে। উৱে ইয়াৰ উত্তৰত এশ পাঁচ মিনিট ধৰি যি দীঘলীয়া অথচ সাৰুৱা বক্তৃতা দিলে, সি পৃথিৱীৰ বুৰঞ্জীত চিৰকাল জিলিকি থাকিব। তেওঁ কলে—কোৰিয়াত যুদ্ধ লগোৱাৰ মূল হ'ল এমেৰিকা। কলম্বছে এমেৰিকা আৱিষ্কাৰ কৰাৰ আগৰেপৰা চীনা জনসাধাৰণ টাইৱান অৰ্থাৎ ফৰমোছাত বাস কৰি আছিছে। জাপানে পঞ্চাশ বছৰ ধৰি টাইৱান একালত তলতীয়া কৰি ৰাখিছিল যদিও ইয়াৰ জনসাধাৰণে এই কালৰপৰা মুক্ত হৈ পুনৰ স্বাধীনতা ঘূৰাই আনাৰ যুদ্ধ কেতিয়াও এৰা নাছিল। তাৰ জনসাধাৰণ যে চীনা জনসাধাৰণৰে ঠাল ঠেঙুলি এই কথা স্পষ্টকৈ তেওঁলোকে প্ৰকাশ কৰি আছিছিল আৰু এতিয়াও কৰি আছিছে। চীনাবাসী কথা শুনাত আৰু শুনি সেইমতে কাম কৰাত সিদ্ধহস্ত। ১৯৪৫ চনত জাপানে আত্মসমৰ্পণ কৰাৰ পিছৰে-পৰা এমেৰিকান গৱৰ্ণমেণ্টে চীনৰ ভিতৰুৱা কাম-কাজত হস্তক্ষেপ কৰাৰ চেলু বিচাৰি আছিছে আৰু সুবিধা পালে কুয়োমিন্‌টাঙৰ চাতুৰি খেলি গৃহযুদ্ধ লগাবলৈও ছল বিচাৰি ফুৰিছে। এমেৰিকাই ফৰমোছাখন আক্ৰমণৰ মাজেদি হাতত

ৰাখি কোৰিয়া, ভিয়েটনাম, ফিলিপাইন আৰু জাপানকো দাসত্বৰ শিকলিত বান্ধি ৰাখিবলৈ ফন্দি বিচাৰিছে। গোটেই এছিয়া মহাদেশৰে সমস্যাত হস্তক্ষেপ কৰাৰ ই আগখোজ। চীনত জনসাধাৰণৰ জয় হোৱাৰ পিছৰপৰাই এমেৰিকাৰ যুক্তৰাষ্ট্ৰই জাপানত পুনৰ মিলিটেৰী বাহিনী জীয়াই তুলিবলৈ চেষ্টা কৰি আহিছে আৰু জাপানক এমেৰিকান উপনিৱেশত পৰিণত কৰি নতুন এখন আক্ৰমণাত্মক যুদ্ধৰ হকে বিশেষকৈ চীন আৰু অন্যান্য শান্তিপ্ৰিয় জাতিসমূহৰ বিৰুদ্ধে আড্ডা পাতিবলৈ বিচাৰিছে। ইয়াৰ পিছতে বিফল চেষ্টাত উভতিবৰ বেলিকা লেকছাকছেছত 'উ'ৱে প্ৰেছ-প্ৰতিনিধিসকলৰ আগত যি বক্তৃতা দিলে, তালৈও বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে চিন্তা কৰোতাসকলে বিশেষ মনযোগ দিয়া উচিত। তেওঁ কোৱা আন আন কথাৰ মাজতে ইখিনিও আছিল—'* * * আমি জাতি-সংঘৰ নিৰাপত্তা কাউন্সিলৰ ওচৰত শান্তি ৰক্ষাৰ হকে এমেৰিকাৰ আক্ৰমণ বন্ধ কৰিবলৈ আৰু চীন দেশৰপৰা এমেৰিকাৰ সৈন্য-বাহিনী উঠাই নিবলৈ আৰু ইয়াৰ বাবে কাৰ্য্যকৰী পন্থা হাতত লবলৈ অভিমত দাঙি ধৰিছিলো; কিন্তু দুৰ্ভাগ্যক্ৰমে—যদিও অপ্ৰত্যাশিত ভাৱে নহয়—আমাৰ এই সৰ্ব্ব জাতি-সংঘই প্ৰত্যাখ্যান কৰিলে। আমাৰ বিশ্বাস যে চীনৰ পিপলছ্ ৰিপাব্লিকে তোলা বাণী গোটেই বিশ্ববাসীয়ে শুনিব। আমি সদায়ে শান্তিৰ উপায়েৰে কোৰিয়াৰ সমস্যা সমাধান কৰাৰ মত

দি আহিছো আৰু কৈ আহিছো যে এই সমস্যা সীমাবদ্ধ হোৱা উচিত। সেয়ে আমি জনাই আহিছো যে সকলো বিদেশী সৈন্য ইয়াৰপৰা আঁতৰাব লাগে আৰু কোৰিয়াবাসীৰ দ্বাৰা ইয়াৰ মীমাংসা হৈ উঠিব লাগে ; কিন্তু ইংগ-এমেৰিকান ব্লকে এইটো কৰিবলৈ দিয়া নাই। কোৰিয়াত যি যুদ্ধ-বিৰতি প্ৰস্তাৱ লোৱা হৈছে সি এমেৰিকাৰ অষ্টিনৰ মঞ্জুৰী মতেহে হৈছে। ইয়াৰ উদ্দেশ্য এয়ে যে কোৰিয়াবাসীৰ ফৌজ আৰু চীনৰ স্বেচ্ছাসেৱক বাহিনীয়ে নিজৰ হাতবোৰ বান্ধি ৰাখক আৰু এমেৰিকাই কোৰিয়াৰ বিৰুদ্ধে আক্ৰমণ চলাই থাকক। ইয়াৰ অৰ্থ এয়ে যে যুক্তৰাষ্ট্ৰৰ ফৌজৰ তলত টাইৱান (ফৰমোছা) থকাৰ দাবী কৰা আৰু মেক আৰ্থাৰৰ জৰীয়তে জাপানত মিলিটেৰী সৈন্য পুনৰ জীৱিত কৰি তোলা। এই ফন্দি আমি জগতৰ আগত উদঘাটন কৰি দিবলৈ বিচাৰো আৰু আশা কৰো— যদিও এমেৰিকাৰ শাসক দলৰ কুনীতিৰ কাৰণে সমস্যাসমূহ বেয়াৰ ফাললৈ যোৱাৰ কাৰণ হৈ উঠিছে, তথাপিও দুয়োখন দেশৰে শান্তিকামী জনসাধাৰণৰ যুটীয়া প্ৰচেষ্টাত এমেৰিকা আৰু চীনৰ জনসাধাৰণৰ মাজত আন্তৰিক বন্ধুত্ব ভাৱ চিৰকাল চলিয়ে থাকিব।”

বিশ্বত শান্তি প্ৰতিষ্ঠাৰ হকে জন্ম হোৱা জাতি-সংঘই চীনাবাসীৰ কথাবোৰ ধৈৰ্য্যৰে অধ্যয়ন কৰিলে বিশ্ব-শান্তিৰ সংগ্ৰামৰ ভাগেখিনি হোৱা সহজ হৈ উঠে। সেয়ে ‘উ’ৰ

বক্তৃতাৰ উপৰোক্ত কথাখিনি শান্তিকামী প্ৰতি জনসাধাৰণে দকৈ ভাবি চোৱা উচিত। যুগৰ পিছত যুগ ধৰি বিশ্বত শান্তি প্ৰতিষ্ঠাৰ সংগ্ৰাম চলিয়েই আহিছে; কেতিয়া এই সংগ্ৰামৰ শেষ পৰিব বিশ্বত স্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাট সুগম হৈ উঠে, ভৱিষ্যৎ বিশ্ব-বুৰঞ্জীয়েহে তাৰ পাতনি যোগাব।

নাজিৰ, ৬।১।৫১

বিশ্ব-শান্তি

সৌ সিদিনা '৪৫ চনৰ ৮ম তাৰিখে জেৰ্মান সমৰ নায়কসকলে বাৰ্লিনৰ ভগা স্তূপৰ মাজত ছোভিয়েট, আৰু বৃটেনৰ ওচৰত আত্মসমৰ্পণ কৰিলে। ২য় মহাযুদ্ধৰ শেষ পৰিল। ইপিনে জাতিপুঞ্জ প্ৰতিষ্ঠান গঢ়ি উঠিল; শান্তি আৰু নিৰাপত্তাৰ সংকল্প ঘনাই ঘনাই ৰাষ্ট্ৰনায়কসকলৰ মুখত প্ৰকাশ পালে। পৃথিৱীৰ জনসাধাৰণ শান্তিৰ কামনাত, আশা-আনন্দত অধীৰ হৈ উঠিল।

কিন্তু ২য় মহাযুদ্ধৰ তিনি-চাৰি মাহ নৌ যাওঁতেই আকৌ এখন বিশ্ব-যুদ্ধই যেন ডাঙ-ডাঙকৈ মুখমেলি আহিছে। বাতৰি কাকতৰ পাতত চকু ফুৰালেই এই কথা ফটফটীয়াকৈ ধৰিব পাৰি। মিত্ৰ শক্তিৰ মাজত যুদ্ধ থিৰা —এই

ভাৰিলে কাকত-পত্ৰতো আজিও তৃতীয় মহাযুদ্ধৰ গতি-প্ৰকৃতি জোৰেৰে আলোচিত হৈছে। ভৱিষ্যৎ যুদ্ধত এখন পকেট বিমান চিলিণ্ডাৰ সৈন্য নিয়োগ কৰিব পাৰিব, যুদ্ধ জাহাজৰ বাবে যাবৰ পৰা দূৰ [illegible], দেশ, বৃটিশ দ্বীপ-পুঞ্জ, জাপান, ভাৰত মহাসাগৰ, প্ৰতিটো দিক [illegible] বাৰ টাইপৰ [illegible] বিমান আৰু কোন কোন জাতিৰ হাতত যিমান [illegible] অস্ত্ৰ-শস্ত্ৰ, সৈন্য-সামন্ত, বিমান মেচিনগান মজুত আছে—এই সকলোবোৰৰে লেখ-জোখ হৈ গৈছে। সেইবাবে দেখি শুনি আৰু এখন যুদ্ধ যে অৱশ্যম্ভাৱী এই কথাটো আজি সকলোৰে মনত দকৈ সোমাইছে। জগতৰ শান্তিকামী জনসাধাৰণে ভাৱী অশান্তিৰ কথা আকৌ ভাবি ভয়ত পৰিবলৈ লাগিছে।

মানুহ সদাই শান্তিপ্ৰিয়। সেয়ে প্ৰথম মহাযুদ্ধৰ পিছত গঠিত হোৱা "লীগ অব নেশ্যন"ৰে পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিব পাৰিব বুলি সকলোৱে আশা কৰিছিল। কিন্তু শক্তিসমূহৰ সাম্ৰাজ্যবাদী মনোভাৱৰ ফলত ইয়াৰ উদ্দেশ্য ব্যৰ্থ হ'ল। "লীগ"ৰ জন্মৰ কিছু দিনৰ পিছতে মাৰ্কিন যুক্তৰাষ্ট্ৰ তাৰপৰা আঁতৰ হয় আৰু সেইদৰেই "লীগ"ত থকা আনবোৰ জাতিয়েও সৰ্তসমূহ উপেক্ষা কৰি ২য় মহাযুদ্ধ গঢ়ি তুলিলে। "লীগ অব নেশ্যনচ"ৰ দৰে বৰমূৰীয়া সন্মিলনত পৃথিৱীৰ মানুহৰ আৰু বিশ্বাস নাথাকিলেও ২য় মহাযুদ্ধৰ পিছত কিন্তু যি জাতিপুঞ্জ প্ৰতিষ্ঠান

গঢ়ি উঠিল তাৰপৰা সকলোৱে বিশ্বত শান্তি প্ৰতিষ্ঠা হব বুলিয়ে আশা কৰি আছিছে। কিয়নো এই জাতিপুঞ্জ প্ৰতিষ্ঠান গঢ়া কামত গণশক্তিৰ শক্তিশালী ছোভিয়েট আদি ৰাষ্ট্ৰৰ আগভাগ লৈছে যিটো আগৰ "লীগ অব্ নেশ্যন্সত হোৱা নাছিল। ইয়াৰ উপৰিও "প্ৰতিষ্ঠান" গঢ়ি উঠাৰ আগতে পৃথিৱীৰ ডাঙৰ তিনি ৰাষ্ট্ৰৰ নায়ক চাৰ্চিল, ৰুজভেল্ট আৰু ষ্টেলিনে ঘোষণা কৰিছিল যে পৃথিৱীৰ-পৰা ফেচিজিমক নিৰ্মূল কৰা হব আৰু যুদ্ধত জুকলা হোৱা পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰা হব (১ ডিচেম্বৰ, ১৯৪৩)। তেহৰাণ বৈঠকৰ পিছত ফেব্ৰুৱাৰী মাহত য়াল্টা সন্মিলনতো তিনি ৰাষ্ট্ৰনায়কে আকৌ একেলগে ফেচিজিমৰ নিৰ্মূল আৰু শান্তি প্ৰতিষ্ঠাৰ দৃঢ় সংকল্প ঘোষণা কৰিছিল। আনহাতে পৃথিৱীৰ মনীষীসকলে নিসন্দেহে স্বীকাৰ কৰে যে ছোভিয়েট ৰাছিয়াই বিশ্ব-শান্তিকে কামনা কৰে। ছোভিয়েট জন-সাধাৰণে যেনেকৈ শান্তি বিচাৰে পৃথিৱীৰ মানুহেও তেনেকৈ শান্তি বিচাৰে। ষ্টেলিনৰ নীতিয়ে আজি পৃথিৱীৰ এক বিৰাট অংশৰপৰা জাতি বিদ্বেষ, সাম্প্ৰদায়িক বিদ্বেষ আৰু শ্ৰেণী বিদ্বেষ নাইকিয়া কৰি তুলিছে। ছোভিয়েট দেশৰ আৰু জনসাধাৰণৰ ঐক্য আৰু ভেদ-বৈষম্যহীনতাৰ বাটেই বিশ্ব-শান্তিৰ বাট বুলি তেওঁলোকে মত প্ৰকাশো কৰিছে। সেয়ে ছোভিয়েট ৰাছিয়া এই জাতিপুঞ্জ প্ৰতিষ্ঠানত যোগ দিয়াত পৃথিৱীৰ শান্তি আহিব বুলিয়ে সকলোৱে আগ্ৰহেৰে

বাট চাইছিল। কিন্তু দেখা গৈছে ইংৰেজিও জাতিসমূহৰ সাম্ৰাজ্যবাদী মনোভাৱৰ ফলত শান্তি প্ৰতিষ্ঠাৰ বাটত বিঘিনি-পথালি ঘটিছে আৰু তৃতীয় বিশ্ব-যুদ্ধ আশংকা ভাৰী হৈ উঠিছে।

যুদ্ধৰ নানা দুখ-কষ্টৰ মাজেদি আজিৰ মানুহে আগতকৈ এতিয়া অধিক জোৰেৰে শান্তি লাগে, শান্তি লাগে বুলি চিঞৰিছে আৰু জনসাধাৰণৰ এনে শান্তি বিচৰা দাবীৰ হেতুকে এটা জাতিয়ে আন এটাৰ ওচৰত শান্তি-সন্ধি (Peace treaty) ডাঙি ধৰা দেখা গৈছে। কিন্তু জাতিসমূহৰ ক্ষমতালোভী মনোভাৱৰ ফলত সেই শান্তি-সন্ধি নিষ্ফলতাত পৰিণত হৈছে আৰু এনেদৰে নিষ্ফল সকলো শান্তি-সন্ধিবোৰ গোটখায়ে গোটেই পৃথিৱীতে তাকৈ এক বিশ্ব অশান্তিৰ কাৰণ হৈছে।

পৃথিৱীৰ চিন্তাবীৰসকলে যুগ যুগ ধৰি বিশ্বত শান্তি প্ৰতিষ্ঠা কৰিবলৈয়ে চেষ্টা কৰি আহিছে। শান্তিৰ কাৰণে চেষ্টা কৰাসকলৈ শান্তিৰ নোবেল প্ৰাইজো আগবঢ়াই অহা হৈছে। ৰোমা ৰোলা, কালমাক্স, পাল ৰোব, জৰ্জ বাৰ্ণাড শ্ব' প্ৰমুখো মনীষীসকলে পৃথিৱীৰ শান্তিৰ উপায় আলোচনা কৰি আহিছিল আৰু আহিছে। মহামানৱ মহাত্মা গান্ধীয়ে অহিংসাৰ বাটেদিয়ে বিশ্ব-শান্তিৰ পথ নিৰ্দেশ কৰি গৈছে। মহামতি লেনিনে প্ৰত্যেক জাতিৰে আত্মনিয়ন্ত্ৰণৰ দাবী পৰিপূৰণত শান্তিৰ পথ দেখুৱাইছিল। কোনে দেখুৱা বাটেদি,

কি উপায়েৰে, কেনেকৈ শান্তি আহিব ইযে আজি প্ৰত্যেকৰে চিন্তাৰ বিষয়।

আজি ছয় বছৰমান (৫০ জুন, ১৯৪৭)ৰ আগতে প্ৰখ্যাত বৈজ্ঞানিক আইনস্টাইনে কৈছিল—জাতিপুঞ্জ প্ৰতিষ্ঠানৰ শক্তিসমূহ শান্তি প্ৰতিষ্ঠা কামত অকৃতকাৰ্য্য হৈছে, কিয়নো প্ৰধান শক্তিসমূহৰ প্ৰত্যেকে পোনতে যুদ্ধত নিজক জিকাবলৈ অনুকূল আৰক্ষাৰ মাথো সৃষ্টি কৰিবলৈ বিচাৰিছে। আৰু এখন মহাযুদ্ধৰ উত নাইকিয়া কৰি পৃথিৱীত শান্তি প্ৰতিষ্ঠা কৰিবলৈ হলে জগতত এক বিশ্ব-গৱৰ্ণমেণ্ট গঠন কৰিব লাগিব আৰু বিশ্ব-শান্তি প্ৰতিষ্ঠান নিয়ন্ত্ৰণৰ কামো ইয়াৰ হাতত দিব লাগিব। বিশ্ব-বিখ্যাত লিখক চিনিয়া হৰেনবাৰ্গে পোলেণ্ডৰ ৰোক্ল (Wroclaw)ৰ (১৯৪৮, আগষ্ট) বক্তৃতাত কৈছিল—'য়ুৰোপৰ প্ৰকৃত স্বাধীনতা শান্তিৰ বাবে যিসকলে অশেষ ত্যাগ কৰি আহিছে, সেইলোকে আৰু এখন যুদ্ধ বিচাৰেনে? * * * আমাক শান্তি লাগে—আমাক এনে শান্তি লাগে যাৰে আমি আমাৰ নগৰ-চহৰ গঢ়ি তুলিব পাৰো, আমাৰ লৰা-ছোৱালীবোৰক খুৰাক-বুৰাক সুখ-শান্তিৰে ৰাখিব পাৰো, অলপ আয়াসতে মাটিত গুটি গজাব পাৰো। আমি বিচৰা শান্তি জয়যুক্ত হবই—এই বিশ্বাস আমাৰ আছে বুলিয়ে আমি ইয়াক বিচাৰিছো। আমি শান্তিৰ কাৰণে চেষ্টা কৰাসকল কৃতকাৰ্য্য হবই কিয়নো অহা কালি আমাৰ হাতত— We will win,

because on our side is to-morrow।" জাতিপুঞ্জ প্ৰতিষ্ঠানৰ ভাৰতৰ প্ৰতিনিধি শ্ৰীযুক্তা বিজয়লক্ষ্মী পণ্ডিতে কৈছে—"তিয়াক উপেক্ষা কৰি চেষ্টা কৰা বাবেহে বিশ্ব-শান্তি প্ৰতিষ্ঠাত জাতিপুঞ্জ প্ৰতিষ্ঠান অকৃতকাৰ্য্য হৈছে।" জেনেৰেল চিইলকায়ে কৈছে—'পৃথিৱীত এখন সমাজ আৰু এটা গভৰ্ণমেণ্ট হলেহে শান্তি প্ৰতিষ্ঠাৰ কাম সুগম হব।" বিশ্ববিখ্যাত দাৰ্শনিক স্যাৰ সৰ্বপল্লী ৰাধাকৃষ্ণনে সিদিনা উৎকল বিশ্ব-বিদ্যালয়ৰ সমাৱৰ্তন উৎসৱত কৈছে—"পৃথিৱীত শান্তি প্ৰতিষ্ঠা হলেহে তেতিয়া অৰ্থ-নৈতিক সমস্যাৰ সমাধান লাগিব।"

যি যিয়ে নকওক, বিশ্বত শান্তি প্ৰতিষ্ঠাৰ বাবে যিয়ে যেনেভাৱে চেষ্টা নকৰক লাগে, ই নিশ্চিত যে অশান্তিৰ গুৰি শিপা উঘালি নেপেলালৈকে শান্তি আনিবলৈ যোৱা চেষ্টা ব্যৰ্থ হবহি। আজিৰ পৃথিৱীত হিটলাৰ-মুছলিনী-তোজো নাথাকিলেও সিহঁতলোকৰ আদৰ্শ জীয়াই ৰখাতো মানুহ আছে। স্পেনত ফ্ৰাংকো আছে, গ্ৰীচত কেছী-বিৰোধীক ফাঁচী দিওঁতা আছে, 'এটলাণ্টিক সভ্যতা', 'পশ্চিমীয়া সভ্যতা' ৰক্ষা কৰিবলৈ যোৱা এমেৰিকান ইংৰাজসকল আছে, ফ্ৰান্সত পেটা-জিৰোৰ অনুগামী ডে-গলৰ দলৰ লোকসকল আছে, ভিয়েটনাম আৰু ইণ্ডোনেচিয়াক দমাব খোজাসকল আছে, মুক্তি ফৌজৰ বিৰুদ্ধে যুদ্ধ দিব পৰা চিয়াংকাইশ্বেক আৰু তেওঁৰ সেনাবাহিনী আছে, ইয়াৰ উপৰিও তৃতীয় মহাযুদ্ধ

জয়ৰ হাতিয়াৰ এটম বোমক হাতত ৰাখিবলৈ এমেৰিকাক পৰামৰ্শ দিওঁতা চাৰ্চিল বেভিনৰ দল আছে, ছলে-বলে-কৌশলেৰে ডলাৰ-সাম্ৰাজ্যবাদ বহলাবলৈ চাওঁতা মাৰ্শেল আৰু ক্ৰেমেনহঁত আছে আৰু আছে ইসকলৰ গুণ-গান কৰোঁতা সাংবাদিকসকল, বাতৰি কাকতবোৰ আৰু প্ৰচাৰ-যন্ত্ৰবোৰ যিবোৰে প্ৰকৃত শান্তি গণতন্ত্ৰ আৰু আন্তৰ্জাতিক সহযোগিতাৰ বাণীৰ সলনি জাতিসমূহৰ মাজত পৰস্পৰ আত্ম-বিশ্বাস আৰু অনাক্ৰমণ-বুজাবুজিত বিঘিনি ঘটাব পাৰে।

আনফালেদি পৃথিৱীত প্ৰগতি আৰু প্ৰতিক্ৰিয়াৰ যুদ্ধ চলিছে। প্ৰগতিয়ে প্ৰতিক্ৰিয়াক ঠেলি পেলাই আগবাঢ়িছে। য়ুৰোপ, এমেৰিকা, এছিয়া, আফ্ৰিকা, অষ্ট্ৰেলিয়াৰ দেশে দেশে সেয়ে আলোড়নৰ ঝংকাৰ উঠিছে। ছোভিয়েটৰ আদৰ্শত য়ুৰোপৰ যুগোশ্লাভিয়া, হাংগেৰী, বুলগেৰিয়া, ৰুমানিয়া, এলবেনিয়া, পোলেণ্ড আদি দেশবোৰত নতুন গণতন্ত্ৰ স্থাপিত হৈছে; এছিয়াতো চীনৰ উপৰিও মালয়, ইণ্ডোচীন, শ্যাম, পেলেষ্টাইন, বৰ্মা, ভাৰত, পাকিস্তানকে আদি কৰি নানা দেশবোৰত এই নৱ-গণতন্ত্ৰৰ আন্দোলন আহিছে। আজিৰ নতুন মানৱ সমাজে ইয়াৰ মাজেদিয়ে ভাৱী বিশ্ব-শান্তি প্ৰতিষ্ঠাৰ ৰূপ দেখিছে।*

---

*কলিকতাত থকা অৱস্থাত লিখিত আৰু ১৯৪৮ চনৰ ১৬শ বছৰৰ ১১শ সংখ্যা 'আৱাহন'ত প্ৰকাশিত।

মাও চে-তুং আৰু চীন

আজি গোটেই পৃথিৱীৰে চকু চীনৰ ওপৰত। ২য় মহাযুদ্ধ শেষ পৰাত আৰু জাপানী সাম্ৰাজ্যবাদ পৰাস্ত হোৱাৰ পিছত চীনা জনসাধাৰণৰ উদ্দেশ্য হ'ল—গণতান্ত্ৰিক, ৰাজনৈতিক আৰু সাংস্কৃতিক সংস্কাৰেৰে দেশৰ একতা আৰু স্বাধীনতা লাভ কৰা, চীনক কৃষিৰপৰা শিল্প ৰাষ্ট্ৰত পৰিণত কৰা। বৰ্তমানৰ চীন-যুদ্ধৰ গতিলৈ চাই এই অনুমান কৰিব পাৰি যে অনতিপলমে গোটেই চীন কমিউনিস্টৰ হাতলৈ আহিব। চীন সম্পৰ্কে মাৰ্কিন যুক্তৰাষ্ট্ৰই বহুবাৰ চালি-জাৰি দিয়া যি শ্বেত-পত্ৰ যোৱা ৫ আগস্ট (১৯৪৯) তাৰিখে ওলাইছে তাতো এইভাৱেই প্ৰকাশ পাইছে। ইয়াত চীন আৰু যুক্তৰাষ্ট্ৰৰ পাঁচ বছৰৰ সম্পৰ্ক আলোচনা কৰি স্বীকাৰ কৰা হৈছে—মাৰ্কিন যুক্তৰাষ্ট্ৰই চিয়াংকাইশেকক হেজাৰ হেজাৰ ডলাৰেৰে সহায় কৰিও চীনত কমিউনিস্টৰ বিজয় বন্ধ কৰিব পৰা নাই।

চীনৰ বৰ্ত্তমান অৱস্থা জানিবলৈ হলে চীনৰ কমিউনিস্ট পাৰ্টিৰ সভাপতি আৰু এছিয়াৰ অন্যতম শ্ৰেষ্ঠ নেতা আৰু চিন্তানায়ক মাও চে-তুং সম্বন্ধে জনা আৱশ্যক। জাতীয় মুক্তি, গণতন্ত্ৰ আৰু সৰ্ব্বসাধাৰণৰ জীৱিকা-নিৰ্ব্বাহৰ

উপায় মাও ছে-তুংএ যেনেদৰে বিশ্লেষণ কৰিছে তাৰে অকল চীনৰ জনসাধাৰণেই নহয়, গোটেই পৃথিৱীৰ লোকসংখ্যাৰ আধা—এছিয়াৰ কোটি কোটি জনমানরে মুক্তিৰ নতুন বাটৰ সন্ধান পাইছে। মাৰ্কসবাদ বুলিলে সমাজ-বিশ্লেষণৰ যি পদ্ধতি বুজায় চীনে তাকে গ্ৰহণ কৰিছে ; কিন্তু চীনৰ অধিবাসীৰ মাজত খাপখোৱাকৈ তেওঁলোকৰ নিজৰ চিন্তাধাৰা সমস্যা সমাধানৰ কামত লগাইছে. আৰু এই চিন্তাধাৰাৰ ৰূপ দিয়াইকৈ মাও ছে-তুঙৰেই দান।'

৫৫ কোটি অধিবাসীৰ দেশ চীনৰ বৰ্ত্তমান বিপ্লৱ খেতিয়কৰ বিপ্লৱ। এই বিপ্লৱৰ মূল বৈশিষ্ট্য হ'ল এই যে বিদেশী পুঁজিবাদ আৰু চীনৰ গাঁৱলীয়া সমাজত থকা মধ্যযুগীয় প্ৰতিক্ৰিয়াৰ বিৰুদ্ধে যিসকলে প্ৰতিৰোধ সংগ্ৰাম চলাইছে সিসকলৰ সৰহভাগে খেতিয়ক—মজুৰ নহয়। অতীতত কোনোদিনেই এনে ধৰণৰ বিপ্লৱ পৰিচালনাত মাৰ্কসবাদী বিশ্লেষণ ব্যৱহাৰ কৰা হোৱা নাই। অতীত ইতিহাসত দেখা গৈছে যে সকলো কৃষক বিদ্ৰোহেই শৃংখলা আৰু সংহতিৰ অভাৱত ব্যৰ্থ হৈছে। চীনত মাও ছে-তুংএ কৃষক-বিপ্লৱৰ ভেটি বান্ধিছে। তেওঁ কৈছে যে গণতন্ত্ৰ হ'ব কৃষক-মজুৰৰ গণতন্ত্ৰ। কমিউনিসটসকলৰ সামৰিক নীতিও মাও ছে-তুঙৰ ভাৱধাৰাৰ ভেটিতে ৰচিত আৰু এই ভাৱধাৰা বহুদিনীয়া ক্ষয়-ক্ষতিৰ মাজেদি বিকশিত হৈছে। মাও ছে-তুং চীনৰ কমিউনিসট পাৰ্টিৰ পোন-প্ৰথম প্ৰতিষ্ঠাতা-

সকলৰ ভিতৰত এজন। হুনানৰ কৃষক-বিপ্লৱৰ তেঁৱে আছিল নেতা। চীনত চুতে আৰু মাও ছে-তুং দুয়োৰে নেতৃত্বত কমিউনিসট বাহিনী গঢ়ি উঠে। চুতে আছিল সামৰিক কৌশলত এজন অভিজ্ঞ লোক আৰু মাও আছিল হুনানৰ এজন স্কুল মাস্টৰ। চুতেৰ সামৰিক জ্ঞান আৰু মাও ছে-তুঙৰ তীক্ষ্ণ বিচাৰ-বুদ্ধিতে দুয়োজনৰ নেতৃত্বত এক অদ্বিতীয় ৰাজনীতি বিকশিত হয়। এই নীতিৰ সহায়তে কমিউনিসটসকলে দীর্ঘ ওঠৰ বছৰে এহাতে জাপানী আক্রমণ, আনহাতে চিয়াংকাইশেকৰ বাহিনীৰ বিৰুদ্ধে যুদ্ধ দিব পাৰিছিল।

১৯৩৮ চনৰ জুলাই মাহত মাও ছে-তুঙৰ কিতাপ "দীঘলীয়া যুদ্ধ" ওলোৱাত অকমিউনিসটসকলৰ মাজত কমিউনিসটৰ প্রভাৱ বাঢ়ে। কাৰণ পুঙ্খানুপুঙ্খৰূপে কহিয়াই লিখা সামৰিক আৰু ৰাজনৈতিক ব্যাখ্যাৰ এনে কিতাপ চীনত আগতে আৰু প্রকাশ হোৱা নাই। ১৯৪০ চনত মাও ছে-তুংএ নতুন কিতাপ "নতুন গণতন্ত্র" লিখে। তেওঁৰ এইখন বৰ মূল্যবান কিতাপ। যুদ্ধ জয় কোন বাটে সম্ভৱ আৰু কেনেকৈ তাক ওচৰ চপোৱা যায় এই কিতাপত তাৰেই নির্দেশ দিয়া হয়। ১৯৪০ চনৰ পিছৰপৰা আজিলৈকে চীনৰ কমিউনিসটসকলৰ ভৱিষ্যতৰ সকলো কর্মপন্থাৰ ভেটি হয় এই "নতুন গণতন্ত্র"ৰ আদর্শ। মসকোত কিতাপখন ৰুছ আৰু ইংৰাজী ভাষাত প্রকাশ হয়। ছোভিয়েট

PLEASE HANDLE THE BOOK CAREFULLY

সমালোচকসকলে কলে—"এইখন 'মাৰ্কসবাদৰ ভেটিস্বৰূপ' গ্ৰনথ আৰু এই নীতি অকল চীন দেশতে নহয়, যি কোনো আধা-সামনত-তানত্ৰিক আৰু আধা ঔপনিৱেশিক দেশতেই প্ৰযোজ্য।" ২য় মহাযুদ্ধৰ পিছত ছোভিয়েট আৰু মাৰ্কিনৰ বিৰোধৰ ফলত যুদ্ধ অনিবাৰ্য্য—চাৰিওফালে যেতিয়া এই ধাৰণা প্ৰবল, তেতিয়া জগৎবিখ্যাত মাৰ্কিন মহিলা সাংবাদিক এনা লুই সটংএ দেখা কৰোতে মাও-ছে-তুংএ কৈছিল—"মাৰ্কিন প্ৰতিক্ৰিয়াশীলসকলেই মানুহক এই আতংকৰ ভয় দেখুৱাই ওচৰৰ বিৰোধ ঢাকি ৰাখিবলৈ বিচাৰিছে। এই বিৰোধ মাৰ্কিন সাম্ৰাজ্যবাদী আৰু মাৰ্কিন জনসাধাৰণৰ লগত। এই বিৰোধ মাৰ্কিন সাম্ৰাজ্যবাদীসকলৰ লগত আন আন ধনতানত্ৰিক দেশৰ।" মাও ছে-তুঙৰ মতে—"The cleanest people in the world are the workers and peasants". শ্ৰমিক-কৃষকৰ সংহতিয়েই তেওঁৰ মতবাদৰ ঘাই ভেটি। চীনাবাসীয়ে আজি চীন ৰিপাবলিকৰ জনমদাতা ছান য়াটছেনৰ সপোন বাসতৱত পৰিণত কৰিবলৈ বিচাৰিছে।*

*কলিকতাত থকা অৱস্থাত লিখিত আৰু ১৯৪৮ চনৰ ১৫শ বছৰৰ ১ম সংখ্যা "আৱাহন"'ত প্ৰকাশিত।

জনপ্ৰিয় বৰদলৈ দেৱৰ ৰাজনীতি প্ৰতিভা

"In Bordoloi we have lost a leader not only of Assam but also of India"—বৰদলৈৰ পৰলোকত অকল অসমৰে নহয়, গোটেই ভাৰতবৰ্ষৰ এজন নেতা হেৰুৱালে - বৰদলৈৰ মৃত্যুত প্ৰধান মন্ত্ৰী নেহৰুৱে এনেদৰে মত প্ৰকাশ কৰিছিল। দেশভক্ত যুৱক নবীন বৰদলৈ, ত্যাগবীৰ হেম বৰুৱা, ৰোহিণীকান্ত হাতী বৰুৱা আদি প্ৰবীণতম ৰাজনৈতিক নেতাসকলৰ অক্লান্ত পৰিশ্ৰম আৰু সেৱা কাৰ্য্যত -বিশেষকৈ ১৯২৬ চনত গুৱাহাটীত ভাৰতীয় কংগ্ৰেছ মহাসভা বহাৰ পিছত কংগ্ৰেছৰ কাম ভালেখিনি আগুৱালেও ১৯৩৭, চনত কংগ্ৰেছযুক্ত বৰদলৈ মন্ত্ৰীসভা গঠন হবৰ পৰাহে কংগ্ৰেছৰ আন্দোলনে অসমত গাঁৱে ভূঞে খলকনি তুলি শিপাই উঠে

আৰু তেতিয়াৰপৰাই বৰদলৈৰ নাম অসমৰ কথাই নাই গোটেই ভাৰততে জনাজাত হৈ পৰে। অসমত শাদুল্লা মন্ত্ৰীসভাই আচল মন্ত্ৰীসভা— অসম মুছলমান সংখ্যাগৰিষ্ঠ ৰাজ্য —এনে ভাব যোৱা গোটেই ভাৰতে প্ৰবল, ঠিক তেনে সময়তে ১৯৩৭ চনত বৰদলৈ ডাঙৰীয়াই কংগ্ৰেছযুক্ত মন্ত্ৰীসভা গঠন কৰাত গোটেই অসমেই সকাহ পোৱাদি পাই 'কংগ্ৰেছৰ জয় হওক', 'বৰদলৈ মন্ত্ৰীসভা জিন্দাবাদ' আদি ধ্বনিৰে গোটেই অসমৰে গাৱেঁ-নগৰে, পৰ্ব্বতে-কন্দৰে গায়নে-বায়নেৰে সভা-শোভাযাত্ৰা কৰি আকাশ-বতাহ আনন্দত মুখৰিত কৰি তুলিছে—বিশেষকৈ তেতিয়াৰপৰাই বৰদলৈ ডাঙৰীয়াৰ নাম বে-বে গ'ল, ভাৰতৰো অসমৰ ওপৰত আগতকৈ ভালেখিনি চকু পৰিল। সেই সময়ত কৃষি আয়কৰ বিল প্ৰৱৰ্ত্তন, টকাত আঠ অনা খাজনা মাফ, কানি নিবাৰণ নিৰ্মূল, জনশিক্ষা অভিযান আদি বিভিন্ন জনহিতকৰ কামৰ মাজেদি কংগ্ৰেছযুক্ত মন্ত্ৰীসভা বৰদলৈদেৱৰ পৰিচালনাতে অসমত অতি জনপ্ৰিয় হৈ উঠিব পাৰিছিল। ইয়াৰ ভিতৰতে ডিগবইৰ বনুৱা ধৰ্মঘট আৰম্ভ হয় আৰু মন্ত্ৰীসভাৰ—বিশেষকৈ বৰদলৈ ডাঙৰীয়াৰ যত্নতে ইয়াৰে মীমাংসাৰ ভাৰ নিখিল ভাৰত কংগ্ৰেছ মহাসভাৰ হাতলৈ দিয়া হোৱাত ভাৰতপ্ৰসিদ্ধ এই ঘটনাৰ ওৰ পৰিব পাৰিছিল।

সি যিয়ে নহওক, '৪২ চনৰ আন্দোলনৰ শেষত ১৯৪৬ চনৰপৰাই তেখেতৰ ব্যক্তিত্বৰ প্ৰতিভা বিশেষভাৱে স্ফুটি

উঠে। সমষ্টি গঠনৰ বিৰুদ্ধে গেটেই অসম জুৰি আন্দোলনৰ হেন্দোলনি উঠিছিল সঁচা, বাগ্মীবৰ নীলমণি ফুকন, দেশপ্ৰাণ অম্বিকাগিৰি, দেশনেতা দেৱেশ্বৰ শৰ্ম্মা আদিয়ে অসমৰ কথাই নাই, কলিকতা, দিল্লীতো সভা-সমিতি পাতি অসমৰ এই জীৱন-মৰণৰ সংগ্ৰাম তীব্ৰতৰ কৰি তুলিছিল সন্দেহ নাই, কিন্তু বৰদলৈ ডাঙৰীয়াই অসমৰ ৰাজনীতিৰ গুৰিয়াল হিচাবে দিল্লীৰ ৰাজনৈতিক নেতাসকলক আৰু ভাৰতৰো বাহিৰৰ লণ্ডনৰপৰা অহা ক্ৰিপচক অসমীয়া ৰাইজৰ অন্তৰৰ কথা জনাই তোলাত সক্ষম নোহোৱা হলে অসমৰ বৰ্ত্তমান অৱস্থা কেনে হ'লহেঁতেন কোৱা টান। অসমত 'অসমীয়াৰ মানুহ' হোৱা সহজ, কিন্তু অসমৰ বাহিৰত তেনে মানুহ হোৱা সহজ নহয়। নিখিল ভাৰতীয় নেতৃবৰ্গৰ মাজত সুৰাই থকা, আগশাৰীত ঠাই পাব পৰা অসমীয়া নেতা আজিলৈও এজনো ওলাব নাপায়নে—অসমতকৈও অসমৰ বাহিৰত—কলিকতা, দিল্লী, বোম্বে আদি চহৰত থাকিলে এই কথা বৰকৈ অনুভৱ কৰিবলগীয়াত পৰে। অসমত বিজ্ঞান সাধনাত নিয়োগ কৰিব পৰা লোক, ভাল বুৰঞ্জীৱিদ, চিত্ৰকৰ, মেধাৱী সাহিত্যিক, সংগীতজ্ঞ, নৃত্যজ্ঞ বা ৰাজনীতিজ্ঞ যে নাই এনে নহয়—কিন্তু এনে ধৰণৰ বিভিন্ন ক্ষেত্ৰত অসমীয়াৰ ফালৰপৰা সৰ্ব্ব-ভাৰতীয় স্থানৰ কথা যেতিয়া ভবা হয়, তেতিয়া ইবোৰৰ অভাৱ সঁচাকৈয়ে পৰিলক্ষিত হয়। এজনা নিপুণ ৰাজনৈতিক নেতা হিচাবে

গোটেই ভাৰতকে বৰদলৈয়ে অসমৰ নাম জাকজিলিকা কৰি ৰাখিছে—সো সিদিনাখনলৈকে অন্ততঃ এই কথাই অসমৰ বাহিৰত ভাংকোপ মাৰ কৰ পৰা হৈছিল, এতিয়া আৰু সি নাই; বৰদলৈৰ দৰে ৰাজনৈতিক নেতা অসমত সততকাই ওলোৱা টান।

এদিনৰ কথা; সমষ্টি গঠনৰ বিৰুদ্ধে প্ৰবল আন্দোলন চলাৰ সময়তে তেখেতে ক্ৰিপছ মিস্যনৰ লগত সাক্ষাতৰ পিছত উলটি আহোতে বাটত কলিকতা বিশ্ববিদ্যালয়ৰ আশুতোষ বিল্ডিঙত প্ৰবাসী অসমীয়া ছাত্ৰসকলৰ দ্বাৰা এখন সভা পতা হয়; সভাত সভাপতিত্ব কৰিছিল, ডাঃ শ্ৰীযুত ভুৱনেশ্বৰ বৰুৱা ডাঙৰীয়াই। অসমৰ সমস্যা লৈ ক্ৰিপছ মিস্যনে কি ব্যৱস্থা কৰিছে উত্তৰ দিবলৈ উঠি তেখেতে কয়— "দিল্লীত কি পাম? 'দিল্লীকা লাড্ডু'—সকলো পানীৰ ওটেঙা। যদি অসমীয়া মানুহে এই সময়ত নিজৰ ওপৰত সাহস ৰাখি অসমীয়াৰ অস্তিত্ব ৰক্ষা কৰাৰ এই জীৱন-মৰণ সংগ্ৰামত এখোজো পিছুভৰি নিদিয়ে, তেনে কাৰ সাধ্য আমাক আমাৰ প্ৰাপ্যৰপৰা বঞ্চিত কৰি ৰাখিব পাৰে?" তেখেতে কৈছিল—"মেটৰ আৰু মন্ত্ৰীৰ মাজত একো প্ৰভেদ নাই; মন্ত্ৰী এজনৰ দেশৰ প্ৰতি যি দায়িত্ব আছে. তাৰ গুৰুত্বৰ তুলনাত মেটৰ এজনে পালন কৰিব লগা দায়িত্বৰ গুৰুত্ব কোনোৰকমে তল নহয়।" ছাত্ৰ-সকলক উদ্দেশ্য কৰি তেখেতে কৈছিল— "দেশৰ কাৰণে

কাম কৰিব লাগে এনেকৈ কওঁতা লোক অনেকো আছে, অইন কি সময়ৰ উত্তেজনাৰ বশৱৰ্ত্তী হৈ ছমাহ বছৰেক ফাটেক খাই অহা লোকো বহুত দেখা যায়; কিন্তু সমাজৰ, দহৰ, দেশৰ সেৱাত হাক মই আজীৱন যুজিম, দেশৰ উন্নতি, সমাজৰ উন্নতিয়ে মোৰ জীৱনৰ একমাত্র ব্রত—এনে শৰণে পণ লোৱা ছাত্র কেইজন আছে? ছাত্রসকলৰ মাজৰপৰা এনে স্থিৰ-সংকল্পৰ লোক ওলালেহে দেশ উন্নতিৰ বাটত আগবাঢ়ি যাব বুলি আশা কৰিব পাৰি।" সঁচাকৈয়ে বৰদলৈৰ গোটেই জীৱনটোৱে ৰূপ পাইছিল, কলিকতাত কোৱা ওপৰৰ কথা কেইষাৰিৰ সাঁচতে।

বৰদলৈ আছিল তলুৱাকৈ চিন্তা কৰিব পৰা লোক। সৰহ দিনৰ কথা নহয়। শিৱসাগৰক উপদ্ৰুত অঞ্চল বুলি ঘোষণা কৰাৰ কিছুদিনৰ পিছতে বৰদলৈ আহিছিল নাজিৰালৈ—নিস্বাৰ্থ কংগ্ৰেছসেৱক ৺জীৱকান্ত বৰগোহাঁইৰ আততায়ীৰ হাতত নিহত হোৱা সম্পৰ্কে অনুসন্ধান কৰিবলৈ নাজিৰা হাইস্কুলত হোৱা সভাৰ কাম শেষ কৰি তেখেত গল শিৱসাগৰৰ শিৱদ'লৰ সন্মুখত হোৱা বিৰাট ৰাজহুৱা সভাত যোগ দিবলে। সভাপতি তেখেত নিজেই। বৰ্তমান কেন্দ্ৰীয় উপ-মন্ত্ৰী অসমৰ গৌৰৱ শ্ৰীযুত সুৰেন্দ্ৰনাথ বুঢ়াগোহাঁই ডাঙৰীয়াই আহোম সভা, কংগ্ৰেছ, কমিউনিষ্ট, এচ পি. পি. ও দলৰে কথা-বতৰা লৈ এটি দীঘলীয়া বক্তৃতা আৰম্ভ কৰিলে। সভাৰ শেষৰ ফালে বক্তৃতা প্ৰসংগত

শিৱসাগৰৰ কংগ্ৰেছ নেতা শ্ৰীযুত প্ৰিয়নাথ বৰুৱাই শিৱসাগৰত কমিউনিষ্টৰ প্ৰাদুৰ্ভাৱ লৈ শ্ৰীযুত বুঢ়াগোহাঁই ডাঙৰীয়াক উদ্দেশ্য কৰি যেতিয়া কলে যে পোনপ্ৰথমৰেপৰা শ্ৰীযুত বুঢ়াগোহাঁইৰ দৰে নেতাই কংগ্ৰেছত যোগ দিয়া হলে শিৱসাগৰৰ অৱস্থা এনে হবলৈ নাপালেহেঁতেন, তেতিয়া বৰদলৈৰ মুৰ স্বভাৱতে "এইহ নহয়" এনেদৰে জোকাৰ খাই উঠিছিল ; বৰদলৈয়ে এই . কথা বঢ়িয়াকৈ উপলব্ধি কৰিব পাৰিছিল যে কংগ্ৰেছে ৰাইজৰ খোৱা-পিন্ধাৰ দুখ-দুৰ্গতি আঁতৰাব নোৱাৰাতহে বাকী ৰাজনৈতিক দলবোৰে মুৰ দাঙি উঠিবলৈ ঠাই পাইছে যেয়েহে তেখেতে ৩ আগষ্ট ১৯৫০ তাৰিখে ব্যৱসায়ী বি ডি পিলুসাক নানা কথাৰ মাজতে এনেদৰে উত্তৰ দিছিল " ব্যৱসায়ীসকলৰ অতিপাত খক, গৱৰ্ণমেণ্ট অফিচাৰসকলৰ ওপৰতৰীয়া স্বভাৱ আৰু স্বইচ্ছাৰ কাৰ্য্য আৰু সিসকলে কৰা নানা ৰকমৰ দুৰ্নীতিয়েই এই দেশলৈ দুৰ্গতি আনিছে ; মোৰ দৃঢ় বিশ্বাস অচিৰেই ভাৰতবৰ্ষ দ্বিতীয় চীনত পৰিণত হব আৰু তাৰ বাবে হুলগীয়া সংগ্ৰাম এই ৰাজ্যতে জয়ে জয়ে আৰম্ভ হব। * * * জ্ঞাতসাৰেই হওক বা অজ্ঞাতসাৰেই হওক, আমি সকলোৱে আজি কমিউনিজমক আহবান কৰিছো। সেয়াৰ ভাৰত অনুপ্ৰাণিত হৈ কাম কৰি যোৱাই আমাৰ প্ৰধানতম কৰ্ত্তব্য ।"

অসমৰ সমস্যা মিলনৰ সমস্যা, পৰ্ব্বত-ভৈয়ামৰ সম্প্ৰীতিৰ সমস্যা। এই কথাকে আজি প্ৰত্যেকে মনে প্ৰাণে উপলব্ধি

কৰিছে। অইনকি, ভাৰতৰ আন ঠাইৰপৰা অসমলৈ গৱৰ্ণৰ হৈ অহা আকবৰ হাইদৰী, শ্ৰীশ্ৰীপ্ৰকাশ প্ৰমুখ্যে নেতৃ-সকলেও অসমক এই কথাষাৰ চিঞৰি চিঞৰি শুনাই গৈছে। অসমৰপৰা বিদায় লওঁতে শ্ৰীশ্ৰীপ্ৰকাশে অসমৰ পৰ্ব্বতীয়া সমস্যাসমূহৰ কথাতে জোৰ দি কৈ গৈছে—"Assam is on the mouth of a Volcano—অসম আগ্নেয়গিৰিৰ সন্মুখত।" আকৌ "দি ষ্টেটছমেন" কাকতত ওলোৱা এক প্ৰবন্ধত আন আন কথাৰ মাজতে শ্ৰীশ্ৰীপ্ৰকাশে অসমৰ পৰ্ব্বতীয়া সমস্যা সম্বন্ধে এইদৰে লিখিছে—" * * * তাৰ পিছত অসমৰ আৰু সমস্যা হৈছে পৰ্ব্বত আৰু ভৈয়ামবাসীৰ মাজত একতা স্থাপনৰ সমস্যা। যদিও পৰ্ব্বতীয়া ভাইসকলৰ স্বকীয়া স্বকীয়া বিভাগ, স্বকীয়া স্বকীয়া ভাষা, সংস্কৃতি আছে আৰু যদিও তেওঁলোকক যোৱা শ শ শতাব্দী ধৰি ৰাজনীতি আৰু আন আন ক্ষেত্ৰৰপৰা নিলগাই ৰখা হৈ আহিছে, তথাপিও এই সময়ত পৰ্ব্বতীয়া ভাইসকলৰ সমূহ সমস্যা আগত ৰাখি পৰ্ব্বত-ভৈয়ামৰ মানুহৰ মাজত গাঢ় মিলা-প্ৰীতিৰ ভাব গঢ়ি তোলাটোৱেই অসমৰ প্ৰধানতম কৰ্ত্তব্য হৈ উঠিছে।" অসমৰ প্ৰাণস্বৰূপ বৰদলৈদেৱেও এই কথাষাৰ অন্তৰৰপৰা অতি সূক্ষ্মভাৱে অনুভৱ কৰিছিল। সেয়ে তেখেতে মৃত্যুৰ আগমুহূৰ্ত্তলৈকে ব্যস্ত আছিল পৰ্ব্বতীয়া জিলাসমূহৰ শাসনবিধিৰ জেওৰা মৰাতে। ইদিনৰ পিছত সিদিনকে তেখেতে কাছাৰ, খাচীয়া জয়ন্তীয়া পাহাৰ, লুচাই

পাহাৰ আদি জিলাসমূহত স্বায়ত্ত শাসিত এডভাইছৰি বোৰ্ড পাতোঁতে একাপ্ৰাণপন্থীয়াকৈ লাগি আছিল। পাৰ্ব্বত্যীয়া ভাই-ভনীহঁতক বৰদলৈয়ে কিমান আপোনজন জ্ঞান কৰিছিল, তাক যোৱাবাৰ জেনেৰেল কমল সিংহ আৰু তেওঁলোকৰ নিজৰ মাজত হোৱা সম্বন্ধৰপৰাই বঢ়িয়াকৈ ধৰিব পাৰি।

অসমৰ সমস্যা সৰ্ব্বভাৰতীয় সমস্যা। কিন্তু গোটেই ভাৰতবৰ্ষৰ চকুত এই সমস্যাৰ কথা পেলাবলৈ হলে অসমৰ কাকতসমূহৰ উপৰিও অসমৰ বাহিৰৰ কাকত পত্ৰ সমূহতো লাগিব অসমীয়া লিখকৰ নিপুণ লেখনি। ইয়াকে কৰিবলৈ হলেই অসমীয়া ভাই-ভনীহঁতে অসমীয়াৰ উপৰিও অন্ততঃ ইংৰাজী, হিন্দী ভাষাত বিপুল চৰ্চ্চা ৰাখিব লাগিব। অন্ততঃ ইয়াকে কৰিব নোৱাৰিলে অসমীয়াৰ মাজৰপৰা সৰ্ব্ব-ভাৰতীয় ক্ষেত্ৰত ওলাব পৰা নিপুণ লিখকো নোলাব। সেয়ে তেখেতে যাকে যাকে সুবিধা পাইছিল, অসমৰ বাহিৰৰ কাকতসমূহত লিখিবলৈ পৰামৰ্শ দিছিল।

জাপানৰ অনুকূলে মনোভাব থকা বুলি কংগ্ৰেছৰ ওপৰত কালিমাৰ ছেকা সানিবলৈ সেই সময়ত বৃটিছ গৱৰ্ণমেণ্টে কৰা অপচেষ্টা ব্যৰ্থ কৰি দিয়াত যিসকলে গুৰুত্বপূৰ্ণ অংশ গ্ৰহণ কৰিছিল সেইসকলৰ ভিতৰত আটাইকৈ উল্লেখ কৰিব পাৰি বৰদলৈৰ নামেই। বৰদলৈক নানা সমস্যা—মাটি সমস্যা, পমুৱাৰ সমস্যা, খোৱা-পিন্ধাৰ সমস্যা আদি এশ-এবুৰিয়ে জুমুৰি খাই ধৰিছিল; কিন্তু ইবোৰৰ মাজতো

তেখেতৰ যত্নতে অসমে গুৱাহাটী বিশ্ব-বিদ্যালয়, মেডিকেল কলেজ, হাইকোৰ্ট, কৃষি-কলেজ, ৰেডিঅ' কেন্দ্ৰ আদিৰ মুখ দেখা পালে। এনেবোৰ অনুষ্ঠান হলেই যে জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নত হব সি নহয়, কিন্তু সিবোৰে জনসাধাৰণৰ জীৱন-ধাৰণৰ মান উন্নত কৰাত সহায় কৰিব। সেয়ে তেখেতে অসমৰ চিৰদিনীয়া অভাৱ-সমূহৰ ভিতৰত ইবোৰক সোনপ্ৰথমে পূৰণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল। এই সকলোবোৰৰে ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কথাটো ঘাইকৈ লেখত লবলগীয়া। বৰদলৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ট্ৰাষ্টিবোৰ্ডৰ সভাপতি হ'ল। অসম উপত্যকাৰ সেইসময়ৰ স্কুল ইন্স্পেক্টৰ ৺শৰৎ চন্দ্ৰ গোস্বামীকো বিশ্ববিদ্যালয় পতা কামত আগৰণুৱা কৰি লোৱা হ'ল। নিপুণ সাংবাদিক আৰু সাহিত্যিক, সাহিত্য-সম্ৰাট বেজবৰুৱাৰ সুযোগ্য ভতিজাক স্বৰ্গীয় মাধৱ বেজ-বৰুৱাই কলিকতাৰপৰা "বাঁহী" কাকতক বিশ্ববিদ্যালয়ৰ ভেটি বন্ধা কামৰ মুখপত্ৰস্বৰূপ কৰি গঢ়ি তুলিলে। 'বাঁহী''ৰ বিশ্ববিদ্যালয় সংখ্যা উলিয়ালে, সাদিনীয়া-মাহেকীয়া কাকতৰ প্ৰায় প্ৰতি সংখ্যাতে বিশ্ববিদ্যালয় সম্বন্ধে লিখনি জুৰিলে। গোটেই অসম জুৰি বিশ্ববিদ্যালয়ৰ বা বলিল। তথাপিও এই কথা স্বীকাৰ কৰিবই লাগিব—বৰদলৈৰ দৰে সুযোগ্য নেতৃত্ব নথকা হলে বিশ্ববিদ্যালয়লৈ সেই সময়ত যিমানবোৰ টকা-পইচা বা আন আন সা-সমল গোট খাইছিল, তেখেতৰ

নেতৃত্ব অবিহনে সিমানখিনি টকা-পইচা বা সা-সম্পদ গোট খালেহেঁতেন নে নাখালেহেঁতেন সন্দেহ। আমাৰ দেশখন কেউফালৰপৰা জয়জয় ময়ময় হৈ উঠিবলৈ হলে প্ৰত্যেকে শিক্ষা পাবই লাগিব। সেয়ে তেখেতে অসমৰ শিৱসাগৰ আৰু কামৰূপ জিলাৰ কেইবা এলেকাতো বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ আঁচনি চলাইছিল। আৰৌ আমাৰ দেশৰ উন্নতি হবলৈ হলে আমি বিজ্ঞানৰ আশ্ৰয় লবই লাগিব, বৈজ্ঞানিক পদ্ধতি গ্ৰহণ কৰিবই লাগিব আৰু তাকে কৰিবলৈ গলেই আমাৰ শিক্ষা-পদ্ধতি সলনি কৰিব লাগিব। সেয়ে তেখেতে মৃত্যুৰ কিছুদিনৰ আগতে তাৰা গুৱাহাটীৰ অসম শিক্ষা সন্মিলন উদবোধন কৰি এনেদৰে কৈছিল—" *,-*-*, The educationists and the thoughtful people of the country have, therefore, a great task ahead to bring about a system of education which will make every member of society useful and productive citizens of the country." অৰ্থাৎ দেশৰ শিক্ষাবিদ আৰু চিন্তাবীৰসকলৰ শিক্ষা-পদ্ধতি সম্বন্ধে—যি শিক্ষা-পদ্ধতিয়ে সমাজৰ প্ৰতিজন মানুহকে উপযুক্ত আৰু দেশৰ কাৰ্য্যক্ষম নাগৰিক কৰি গঢ়ি তুলিব পাৰিব—পালন কৰিবলগীয়া গুৰুতৰ কৰ্ত্তব্য আছে। দেশনেতা সুৰেন্দ্ৰনাথ বেনাৰ্জ্জিয়ে লিখিছে—জাতিৰ বুৰঞ্জী বুজিবলৈ বিচৰা জনে

দেশৰ ডাঙৰ ৰজা-মহাৰজাসকলৰ আড়ম্বৰ ফিতাহিৰ কথা মনলৈ নানে; তেওঁলোকে বুজিবলৈ বিচাৰে সেইসময়ৰ দেশৰ জনসাধাৰণৰ শৃঙ্খলা, স্বভাৱ-চৰিত্ৰ আৰু পাৰিপাৰ্শ্বিক অৱস্থাৰ উন্নতি-অৱনতি। ৰেঞ্জী লৈ [illegible] কৰোঁ। জনপ্ৰিয় বৰদলৈদেৱেও অসমৰ তথা ভাৰতৰ জনসাধাৰণৰ দুখ দুৰ্গতি দেখি কংগ্ৰেছৰ যুদ্ধত নামিছিল আৰু আজীৱন জনসাধাৰণৰে সেৱা কৰিছিল। তেওঁৰ অন্তৰ সকলোৰে প্ৰতি সমান আছিল, বিভিন্ন সম্প্ৰদায়ৰ মাজত দেখা দিয়া ভেদ-ভাৱৰ জঁই মাৰিবলৈ তেওঁ অহোপুৰুষাৰ্থ কৰিছিল কৃতী লিখক আৰু সাহিত্যিক, অধ্যক্ষ শ্ৰীযুত হেম বৰুৱা ডাঙৰীয়াই লিখিবৰ দৰে—"মন্ত্ৰী হোৱা সহজ জাতিৰ অন্তৰ জয় কৰা সহজ নহয়, ইয়াৰ বাবে লাগে ত্যাগ, কষ্টবৰণ, আদৰ্শ জীৱন। জাতিৰ অন্তৰ জয় কৰিছিল বাবেই বৰদলৈদেৱৰ মৃত্যুৱে আজি দেশৰ অন্তৰা কঁপাইছে।" বৰদলৈৰ আত্মাই শান্তি লাভ কৰক।

নাজিৰা, ২..৫০

সহশিক্ষাৰ দুৰি কথা

সহশিক্ষাত আপত্তি কৰা মানুহৰ সংখ্যা আজিকালি আগতকৈ টুটিছে। পশ্চিমীয়া শিক্ষাৰ প্ৰভাৱত আমাৰ দেশত সহশিক্ষাৰ প্ৰৱৰ্তন হৈছিল আৰু সম্প্ৰতিকে দিনে দিনে ই বাঢ়ি উঠিছে। গাঁৱৰ পাঠশালা স্কুল [illegible] [illegible] বহি একেলগে খেল-ধেমালিও কৰি আমাৰ লৰা-ছোৱালীয়ে পঢ়া শিকে। কিন্তু গাঁৱৰ লৰাই অতি কষ্টেৰে

পাঠশালা শিক্ষা শিকি আটাই উচ্চ শিক্ষা লভিবলৈ সুযোগ-সুবিধা পালেও ছোৱালীবোৰে হলে পাঠশালা শিক্ষাৰ লেঠা ছিঙোতে নো ছিঙোতেই 'নতুন বোৱাৰী' হৈ শহুৰ-শাহুৰ

বান্ধিত সোমাই পৰে। অৱশ্যে গাঁৱৰ ভিতৰত যিসকল তাতদীঘল মানুহ আৰু যিসকলৰ লগত নগৰ-চহৰৰ সম্পৰ্ক আছে, সিসকলৰ লৰা-ছোৱালীয়ে গৃহশিক্ষাৰ জৰীয়তেই পাঠশালা শিক্ষা সাং কৰি চহৰৰ পিনে ভৰি মেলে।

এইটো তেনেই ভলাই থকা কথা যে নিয়াৰিকৈ সহশিক্ষাৰ আহল-বহল প্ৰচলন দেশৰ হকে, জাতি, সমাজ আৰু মতা-তিৰোতাৰ সম্প্ৰদায়গত স্বাৰ্থৰ হকে হিতকৰ। সেয়ে সহশিক্ষাৰ প্ৰচলনক কিদৰে ঠিক বাটেদি চলাই নিব পাৰি সিয়ে হৈছে বিচাৰ কৰিবলগীয়া বিষয়। মানুহৰ জীৱন-ধাৰণৰ বাবেই ৰাষ্ট্ৰব্যৱস্থা; জীৱন-যাত্ৰা সুনিয়াৰিকৈ চলাটো নিৰ্ভৰ কৰে শিক্ষাৰ ওপৰত। গতিকেই শিক্ষাৰ সৈতে ৰাষ্ট্ৰৰ সম্বন্ধ অতি ওচৰ। শাসন ব্যৱস্থাত কেৰোণ থাকিলে, সেই কেৰোণে শিক্ষাৰ ভিতৰতো কেনা লগাব। বৰ্ত্তমান শিক্ষা-ব্যৱস্থা ধনতান্ত্ৰিক শোষণৰ ভেটিৰ ওপৰতে প্ৰতিষ্ঠিত। পশ্চিমীয়া ধনতান্ত্ৰিক দেশৰ সহশিক্ষাৰ কথা চালিলে-জাৰিলে আমি দেখো বাল্যশিক্ষাৰপৰা শেষলৈকে সহশিক্ষাৰ প্ৰচলন সিবোৰত আছে। বাল্য কালৰপৰাই তাত লৰা-ছোৱালীবোৰে একো বাধা নোহোৱাকৈ মিলি জুলি থাকিবলৈ সুযোগ পায়; কিন্তু মিলি-জুলি থকাৰ প্ৰকৃত মধুৰতা ডেকা কালৰ আগলৈকেহে থাকে। কিয়নো সমান অধিকাৰ কাগজে-কলমে থাকিলেও আচলতে সিবোৰত মতা-মাইকীৰ সমান অধিকাৰ নাই সমাজ ব্যৱস্থাৰ নানা

কৌশলৰ যোগেদি মতাসকলৰ প্ৰাধান্যই ৰক্ষি থাকে আৰু ডেকাৰঙে মিলি-জুলি থকাৰ জৰীয়তেও মতাসকলৰ প্ৰাধান্যই মুখ্য হৈ উঠে। সৰুতে লৰা-ছোৱালীবোৰৰ স্বাৰ্থান্ধতা আৰু উচ্চ-নীচ ভাৱৰ সূচনা নহয়, কিন্তু বয়স বঢ়াৰ লগে লগেই যেতিয়া তেওঁলোকে ধনতান্ত্ৰিক দেশৰ লৰা-ছোৱালী হিচাবে ধনৰ পুঁজিৰ পিনে চকু দিয়ে, তেতিয়াই তেওঁলোকৰ মাজত আধিপত্য বঢ়োৱাৰ কটকটীয়া হেঁপাহ মূৰ দাঙি উঠে। ফলত এজনে আনজনক, ভায়েকে ককায়েকক বা ককায়েকে ভায়েকক, এক চুবুৰীয়াই আন চুবুৰীয়াক ঠগি আত্ম-প্ৰতাৰণাৰ চেষ্টাত মত্তলীয়া হৈ উঠে।

ছোৱালী শিক্ষিত হোৱা উচিত মতাসকলৰ মনোমত হবৰ হেতু, তথাকথিত ভদ্ৰ মতাসকলৰ কামনা-বাসনাৰ ইন্ধন যোগাবৰ বাবে—এই ধাৰণা আছেই—সেই সেই ধনতান্ত্ৰিক দেশবোৰৰ নাৰীশিক্ষাৰ মাজত আৰু সহশিক্ষাৰ বেলিকাতো। পচ্ছিমীয়া দেশত সেয়ে দেখা যায় সহশিক্ষাৰ উচ্চস্তৰত প্ৰেমিক-প্ৰেমিকা সাল-সলনিৰ প্ৰতিযোগিতা। সহপাঠীয়ে বিচাৰে কোন সহপাঠিনীৰ ওচৰত সৰহ আত্মসমৰ্পণ তেওঁ পাব, কাৰ ওচৰৰপৰা সৰহ পৰিমাণে প্ৰেমৰ ভেঙুচালি লাভ কৰিব আৰু দেহৰ লয়লাসৰ মালিক হব পাৰিব। আনহাতে সহপাঠিনীয়েও বিচাৰে ইবোৰকে। তথাপিও বেয়াৰ মাজতো সিবোৰ ভাল এনেকৈয়ে যে সিবোৰ দেশত ৰাষ্ট্ৰগত সমান অধিকাৰ আছে। কিন্তু সম্প্ৰতি আমাৰ দেশত

সহশিক্ষাৰ অৱস্থা আৰু তলখাপৰ। গাঁৱলীয়া পাঠশালাত যি সহশিক্ষাৰ কথা কোৱা হৈছে, তাক তেনেকৈ সহশিক্ষা বুলিব পৰা নাযায়। কিয়নো সহশিক্ষাৰ উদ্দেশ্য লৈ এই শিক্ষা-ব্যৱস্থা কৰা হোৱা নাই। স্ত্ৰী-শিক্ষাৰ ব্যৱস্থা আৱশ্যক নাই—অথচ যেনে-তেনেকৈ অলপ শিক্ষিত কৰা তেওঁলোকক দৰকাৰ—এই ধাৰণাতে সৰুকালছোৱাত লৰা-ছোৱালীক পাঠশালা শিক্ষা দিয়া হয়। সেয়ে সহশিক্ষা হিচাবে যি দেখা হয়, সি হৈছে কলেজীয়া শিক্ষা।

পছিমীয়া ধনতান্ত্ৰিক দেশত প্ৰচলিত সহশিক্ষাৰ যি যিবোৰ দোষ, সি সিবোৰ আমাৰ দেশতো পুৰাই আছে; ইয়াৰ উপৰিও আৰু কেতবোৰ মাৰাত্মক দোষ বহুদিন পৰাধীন হৈ থাকিব লগা হোৱা হেতু আৰু অইন অইন কাৰণত দেখা যায়। পোন প্ৰথমতে কলেজত লৰা-ছোৱালীয়ে যি সময়ত হেলাৰঙে মিলা-জুলাৰ প্ৰথম সুযোগ পায়, তেওঁলোকৰ বয়সৰ পিনৰপৰা সেই সময়টো অতি মাৰাত্মক। এতিয়ালৈকে আমাৰ ছোৱালীবোৰৰ শিক্ষা মানে ডাঙৰ চাকৰিৰ স্বামীলাভৰ উপায় কৰা। দেহ আৰু মনত যেতিয়া উদাস যৌৱনৰ প্ৰকাশ হবলৈ ধৰে, তেতিয়াই পোন প্ৰথমে আমাৰ কলেজবোৰত লৰা-ছোৱালীৰ সহশিক্ষা আৰম্ভ হয়: খোলোচাকৈ কবই লাগিব যে তেতিয়াই ডেকা-গাভৰুৰ প্ৰত্যেকৰেই বিপৰীত ফাললৈ স্বাভাৱিক আকৰ্ষণ হয়। ইয়াতে আকৌ ইবোৰ ছাত্ৰ-ছাত্ৰী সি সময়ত স্বাভাৱিক

আৰু সহজ যৌনস্পৃহাৰ পৰিতৃপ্তিৰপৰা বঞ্চিত হৈ মানসিক প্ৰকৃতিত নানাধৰণৰ ভিতৰুৱা বেমাৰত ভোগে। বিশেষকৈ যুগ যুগ ধৰি নিৰ্জীৱ গতানুগতিকতাৰ যি প্ৰভাৱ থাকে, প্ৰাণহীন শিক্ষাৰ যোগেদি নিৰ্জীৱ প্ৰেমৰ যিবোৰ ভেড়ু চালিৰে অৰ্থাৎ শিক্ষা দিয়া হয়— সকলোৱেই এই সংযত আত্মপ্ৰকাশ কৰে। ঠিক এনে সময়ত সহশিক্ষাৰ যি অৱশ্যম্ভাৱী ফল, তাক অনায়াসেই অনুমান কৰিব পাৰি। তথাকথিত উচ্চ শিক্ষাৰ পদাৰ আঁৰত নগ্নতা লুকাই হয়, কিন্তু হয়াৰ বেয়া ফল দিনে দিনে বাঢ়িবলৈ ধৰে।

সহশিক্ষাৰ প্ৰধান উদ্দেশ্য — নৰ-নাৰী সম্পৰ্ক সহজ-সৰল কৰি তোলা পৰস্পৰক বন্ধুভাৱে চিনা-জনা, পৰস্পৰৰ জীৱনত, পৰস্পৰৰ প্ৰয়োজনীয়তাক ভালকৈ আৰু সুভাৱে স্বীকাৰ কৰা, দাম্পত্য জীৱনত লগৰী উলিয়াই লোৱা আৰু ইজনৰ সিজনৰ সহযোগিতাৰে সমাজৰ পৰিপুষ্টি সাধন কৰা। আমাৰ সম্প্ৰতিকৈ চলা সহশিক্ষাৰ দ্বাৰা ওপৰত কোৱা কোনো উদ্দেশ্য সাধনৰ সম্ভাৱনা নাই। সহশিক্ষাৰ ব্যৱস্থা সাফল্যমণ্ডিত কৰিবলৈ হলে সমান অধিকাৰত, সমান দাবীত, সমান সন্মান সমান যত্ন আৰু মৰম-চেনেহৰে পৰস্পৰক পৰস্পৰৰ মাজত মিলিবলৈ দিব লাগিব। বাল্য, চেঙেলীয়া আৰু ডেকা জীৱনৰ প্ৰত্যেক কাল ছোৱাতে সিসকলে ইজনে সিজনক চিনিব-জানিব লাগিব, দাম্পত্য জীৱনত এইদৰে তেওঁলোকে তেওঁলোকৰ

লগৰ-লগৰী বাছি লব। এনে ব্যৱস্থাৰ সুযোগ দিবলৈ হলে প্ৰত্যেক ক্ষেত্ৰত মতা-তিৰুতাৰ সমান অধিকাৰ মানি লব লাগিব আৰু এই অধিকাৰ মানি লবলৈ হলেই শোষণ শাসন-ব্যৱস্থা আঁতৰাবই লাগিব। সু আৰু সমাজতিতকৰ সতশিক্ষাৰ প্ৰৱৰ্ত্তন কৰিবলৈ হলে লাগিব সমাজতন্ত্ৰবাদী সমাজ।

নাজিৰা ; ২১।৭।৫০

ডক্টৰ সৰ্ব্বপল্লী ৰাধাকৃষ্ণনৰ বক্তৃতা

উন্মত্ততাৰ শক্তিসমূহে জগতত যিখন লেকেটালগা যুঁজ পাতিছে, সিখন যুজৰ কথা দাৰ্শনিকসকলে বুজিব লাগিব। তেওঁলোকে 'আহো আহো' হৈ থকা বিশ্বযুদ্ধখনৰ শাম কটোৱাৰ সমস্যাৰ হকে অকল নিজক নিয়োগ কৰিলেই নহব, মানৱ জাতিক নকৈ তৈয়াৰ আৰু মানৱ জাতিৰ আশাক নতুনকৈ পোহৰ কৰি তুলিবলৈ সামাজিক পৰিৱৰ্ত্তনৰ কামো কৰিব লাগিব। যদিহে এই পৃথিৱীৰ বৰ্ত্তমান যুগত কিবা আচৰিত মন কৰিবলগীয়া আছেহে, তেনে সি হৈছে সামাজিক বিপ্লৱৰ গতি। পৃথিৱীৰ সকলো ঠাইতে এই বিপ্লৱে ঠাই লৈছে। যদিহে ই শান্তিপূৰ্ণ উপায়েৰে নাহেহে জোৰ-জুলুমেই ইয়াক আনি পেলাব। যি আদৰ্শৰ কাৰণে সমাজৰ সৃষ্টি হৈছে, সমাজৰ বৰ্ত্তমান

অৱস্থাত উপযুক্ত পৰিমাণে সেই আদৰ্শ পৰিপূৰণ হোৱা বুলি কব নোৱাৰি। গণতন্ত্ৰৰ আদৰ্শও উপযুক্ত পৰিমাণে ইয়াত নাই। এই সমাজৰ আদৰ্শই এনেকৈ সামাজিক শৃঙ্খলা আৰু সামাজিক সম্বন্ধ গঢ়ি তুলিব লাগে যাতে প্ৰত্যেক লোকেই শিক্ষা আৰু স্বাস্থ্যলাভ কৰিব পাৰে আৰু লাভ কৰিব পাৰে অইন অইন গুণবোৰো যিবোৰ জীৱনক উচ্চতৰূপে আগুৱাই নিবলৈ লেখত্তলবলগীয়া বুলি পৰিগণিত হয়। যি সময়ত পৃথিৱীত আদৰ্শৰ সংঘাত তীব্ৰ পৰিমাণে ঘটিছে, সেইসময়ত ৰবীন্দ্ৰনাথ ঠাকুৰ, মহাত্মা গান্ধী, শ্ৰীঅৰবিন্দ আৰু শ্ৰীৰমণ মহৰ্ষিৰ দৰে বিৰাট ব্যক্তিত্বৰ পুৰুষসকলে কৈছে—সত্য সম্পূৰ্ণ এঘৰীয়া নাইবা বিশেষ সম্পৰ্কীয় মত নহয়। প্ৰেম আৰু সত্যৰ এই ধৰ্ম্ম প্ৰচাৰকসকলে তওঁলোকৰ জীৱনৰ দ্বাৰা দেখুৱালে যে ভাৰতবৰ্ষৰ আত্মা সজীৱ হৈ আছে। ভাৰতবৰ্ষ এখন দেশ নহয়, কিন্তু মনৰ এখন ৰাজ্যহে; ভৌগোলিক বিকাশ নহয়, বৰং মানৱ আত্মাৰ, চিন্তা আৰু অনুভৱ শক্তিৰ এক ধাৰকহে। এই মহান আত্মাসকলৰ লগত থকা মানে মানসিক সংকীৰ্ণতা আৰু সংকুচিত মনোবৃত্তিৰপৰা নিজক নিলগাই ৰখা। ইয়াৰ মানে হৈছে দল আৰু সম্প্ৰদায়ৰ সংকুচিত আৱহাৱাৰপৰা নিজে আঁতৰত থকা। ভাৰতৰ আত্মা সকলোৰকমৰ ধৰ্ম্মোন্মত্ততাৰ ওচৰত শত্ৰু। অতিজত ভাৰতবৰ্ষই বিদেশী পৰিদৰ্শকসকলক অভ্যৰ্থনা কৰিবলৈ আৰু সিসকলৰপৰা শিকিবলৈ

সুযোগ পাইছিল। ই সদায়ে জাতি, সংস্কৃতি আৰু আদৰ্শৰ মিলনভূমি হৈ আহিছে। কেই শতাব্দীমানৰ কাৰণে এই সংযোগ বিচ্ছিন্ন হৈছিল; কিন্তু এতিয়াৰপৰা আশা কৰা হৈছে—পৰস্পৰৰ উপকাৰৰ হকে সাংস্কৃতিক সংযোগৰ সমন্বয় ঘটিব।

তীব্ৰ এটমিক শক্তিৰ এই যুগত এঘৰীয়াকৈ জাতীয় অস্তিত্ব ৰক্ষাকৰা সম্ভৱ নহয়। ৰবীন্দ্ৰনাথ ঠাকুৰে বিশ্ব-সংস্কৃতিৰ উৎকৰ্ষ সাধনৰ হকে চেষ্টা কৰিছিল আৰু একতা থুপ খোৱাকৈ পৃথিৱীৰ সঞ্চাৰিত সংস্কৃতি তেওঁৰ বিশ্ব-ভাৰতীলৈ আনিছিল। তেওঁৰ লিখনিত ৰবীন্দ্ৰনাথে ভাৰতৰ বিশ্বজনীন ভাবধাৰাত জোৰ দিছিল। এই কেবছৰত ভাৰতৰ বুৰঞ্জীত আটাইতকৈ উল্লেখযোগ্য কথা হ'ল ১৯৪৭ চনৰ বৃটিছৰ ক্ষমতা হস্তান্তৰ। দাসত্বৰপৰা মুক্তি পোৱাটো প্ৰকৃত স্বাধীনতা নহয়, ইয়াৰ এটা অতি আৱশ্যক স্তৰহে। ইয়াৰ মানে তেওঁলোকৰ ভাৱসমূহ নকৈ তৈয়াৰ কৰা; সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক অনুষ্ঠানসমূহক নকৈ গঢ় দিয়া, ইয়াৰ মানে মানৱৰ পুনৰজন্ম হোৱা। মানসিক আৰু আধ্যাত্মিক জীৱনৰ পুনৰ-জীৱন আৰু অতীতৰ পৰিৱৰ্ত্তিত ভাৱ-ভংগী অবিহনে এইটো সম্ভৱ হৈ নুঠিলহেতেন। ৰাজনৈতিক বিপৰ্য্যয়ৰ সময়ত আত্ম-বিশ্বাস পুনৰ ঘূৰাই আনিবলৈ ভাৰতীয়ই নিজকে নিজে কৈছিল—পৃথিৱীৰ ভিতৰত তেওঁলোক আটাইতকৈ সভ্য আৰু উন্নত জাতি আৰু তেওঁলোকৰ সংস্কৃতি অতুলনীয়।

তেওঁলোকে তেওঁলোকৰ বুৰঞ্জীৰ জাকজমকতা, সাহিত্যৰ মহানতা আৰু তেওঁলোকৰ কলা, সংগীত, ভাস্কৰ্য্য আৰু অংকন বিদ্যাৰ শ্ৰেষ্ঠতাৰ কথা ব্যক্ত কৰিছিল। আজি প্ৰকৃত সত্যৰ ভাৱ মানৱ মনত জাগৰিত হব লাগিব। দৰ্শন হৈছে উদাৰ, ভাৱপূৰ্ণ সত্যাভিমানী শাস্ত্ৰ। ভাৰতীয় দাৰ্শনিক-সকলে প্ৰকৃত মানৱ-সংস্কৃতি নতুনকৈ সৃষ্টি কৰি তুলিবৰ বাবে আমূল পৰিৱৰ্ত্তন কৰিব লাগিব।

প্ৰত্যেক যুগৰে একোটা বিশ্বাস আছে; বৰ্ত্তমান যুগ বিজ্ঞানৰ যুগ। দাৰ্শনিকসকলে দৰ্শনৰ ব্যাখ্যা এনে খাপলৈ আনিব লাগিব যিবোৰ বৈজ্ঞানিক প্ৰণালীৰ গুণাৱলীৰ দ্বাৰা প্ৰভাৱান্বিত হয়। নতুন পৃথিৱী গঢ় দিওঁতা ৰূপে দৰ্শনে মানৱ সমাজক অনুপ্ৰাণিত কৰিব লাগিব। ই জাতিগত, বংশগত, ধৰ্ম্মগত অনৈক্য আঁতৰ কৰি মানৱ সমাজক আদৰ্শবান পুৰুষ উলিয়াব লাগিব। পৃথিৱীত দেখা দিয়া উন্মত্ততাৰ মাজতো দাৰ্শনিকসকলে ঠন ধৰি অহা গছপুলি-বোৰৰ জা-জোকাৰণি শুনিবলৈ পাইছে আৰু প্ৰপীড়িত জাতিসমূহে শান্তি আৰু ঐক্যৰ পোহৰ দেখা এখন নতুন পৃথিৱী উঠি অহা ডেকা-গাভৰুহঁতে গঢ়িবলৈ চেষ্টা কৰা ধ্বনিও তেওঁলোকৰ কাণত পৰিছে।*

---

* ২০।১২।৫০ তাৰিখে কলিকতা বিশ্ব-বিদ্যালয়ৰ ছিনেট হলত সৰ্ব্ব-ভাৰতীয় দৰ্শন কংগ্ৰেছত দিয়া বক্তৃতাৰ সাৰাংশ।

---:o:---

PLEASE HANDLE THE BOOK CAREFULLY

নোবেল বঁটা পাওঁতা উইলিয়ম ফকনাৰ

১৯৪৯ চনৰ কাৰণে সাহিত্যত নোবেল বঁটা লাভ কৰিলে মাৰ্কিণ কথা সাহিত্যিক উইলিয়ম ফকনাৰে। চুইডিশ কমিটিৰ সদস্যসকলে নিৰ্ব্বাচনৰ বিষয়ত একমত হব নোৱাৰাতে এই বছৰ সাহিত্যত একেলগে দুবছৰৰ বঁটা দিয়া হৈছে। ১৯৫০ চনৰ বাবে সাহিত্যত নোবেল বঁটা বিশ্ব-বিখ্যাত ইংৰাজ দাৰ্শনিক আৰু গণিতবিদ বাৰ্ট্ৰাণ্ড আৰ্থাৰ উইলিয়ম ৰাছেলে লাভ কৰিছে। কবলৈ গলে এইবাৰলৈকে যি দেখা গৈছে তাৰপৰা ধৰিব পাৰি যে নোবেল বঁটা পাওঁতাসকলৰ খ্যাতি বঢ়োৱাত সিমান সহায়ক হৈ উঠা নাই; কিয়নো নোবেল বঁটা পোৱাৰ ভালেমান বছৰৰ আগতেই সিসকলে বিশ্ব-ব্যাপী খ্যাতি অৰ্জ্জন কৰাত সমৰ্থ হৈছে। পিছে ফকনাৰৰ খ্যাতি আজিও সাগৰৰ সিপাৰৰ মাৰ্কিণ দেশতে আৱদ্ধ. সেয়ে নোবেল বঁটা নোপোৱা হলে তেওঁৰ খ্যাতি নাবাঢ়িলহেতেন।

১৮৯৭ চনত মিছিছিপিৰ অক্সফোৰ্ড চহৰত ফকনাৰৰ জন্ম হয়। দাৰিদ্ৰ্যৰ মাজেদিয়ে ফকনাৰৰ বাল্যাৱস্থা পাৰ হৈ যায়। প্ৰথম মহাযুদ্ধৰ সময়ত নিউঅৰ্লিয়েন্সত প্ৰখ্যাত মাৰ্কিণ ঔপন্যাসিক শেৰুড এণ্ডাৰচনৰ লগত পৰি এওঁ নিজৰ ৰচনাৱলী প্ৰকাশৰ দিনে ঢাক লয়। ১৯২২ চনত "ডবল ডীলাৰ" কাকতত তেওঁৰ এটি কবি পোনপ্ৰথমে ছপা হৈ ওলায়। ১৯৩১ চনত "চেংচুয়াৰি" উপন্যা প্ৰকাশ হয়। এই উপন্যাসখনে এওঁৰ যথেষ্ট খ্যাতি আনে। এ চনৰপৰা এওঁ পোন্ধৰখনি উপন্যাস ৰচনা কৰিছে। "ছাৰ্টোৰিছ উপন্যাসত এওঁৰ ৰূপ পৰিকল্পনা আৰু ৰূপ দক্ষতাৰ পৰিচয় পো যায়। এওঁ লিখা বহুমূলীয়া উপন্যাসখনিৰ নাম হ'ল—"ডিলা ইন অগাষ্ট"।

নাজিৰ ; ২০।২।৫

DISTRICT LIBRARY
(HEM BARUA COLLECTION)

শ্ৰীযুত ভোলানাথ দত্তই লিখা আৰু এখনি কিতাপ "বিশ্বশান্তিৰ পোহৰ" অলপতে ওলাব।

প্ৰকাশক—শান্তি সাহিত্য মন্দিৰ,
নাজিৰা, অসম।

শিৱসাগৰৰ হিৰণ্য প্ৰেছত শ্ৰীজীউৰাম খাৰঘৰীয়াৰ দ্বাৰা ছাপা কৰা হল।